www.newsnextone.com

# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

FRIDAY, SEPTEMBER 27, 2024 ■ শুকুৰবাৰ।। ১০ আহিন, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ প্ৰথম বছৰ, সংখ্যা ২৬৫ Guwahati, Assam ।। মূল্যঃ এটকা

## ভূমিকম্পই জোকাৰিলে ৰাজ্য

**ই-সংবাদ, ২৬ ছেপ্টেম্বৰঃ** গ্ৰীষ্ম প্ৰবাহৰ মাজতে ৰাজ্যত ঠায়ে ঠায়ে কিনকিনিয়া বৃষ্টিপাত ২ পৃষ্ঠাত চাওক

## বিলকিছ বানো গোচৰঃ পুনৰ মুখথেকেচা খালে গুজৰাট চৰকাৰে

**আহমেদাবাদ, ২৬ ছেপ্টেম্বৰঃ** বিলকিছ বানো ধৰ্ষণকাণ্ডৰ ১১ দোষীক কাৰাগাৰৰ পৰা মুকলি কৰি দি উচ্চতম ন্যায়ালয়ৰ ৰোষত পৰা গুজৰাট চৰকাৰে এইবাৰো সকাহ নাপালে ন্যায়ালয়ৰ পৰা। উচ্চতম ন্যায়ালয়ৰ পৰ্যবেক্ষণ পুনৰ বিবেচনাৰ বাবে শেষাংশ ২ পৃষ্ঠাত




## বাংগালুৰুত যুৱতীক ৩০ টুকুৰা কৰা মুক্তিৰঞ্জনৰ ওড়িশাত আত্মহত্যা

**ভুৱনেশ্বৰ, ২৬ ছেপ্টেম্বৰঃ** মঙলবাৰে বাংগালুৰৰ এটা কোঠাত ফ্ৰীজৰ ভিতৰত উদ্ধাৰ হৈছিল ত্ৰিপুৰাৰ এগৰাকী যুৱতীৰ কেইবাখণ্ডিত মৃতদেহ। যুৱতীগৰাকীৰ নৃশংস হত্যাকাণ্ডৰ তদন্ত আৰম্ভ ২ পৃষ্ঠাত চাওক



## প্ৰতিখন জিলা সদৰত লক্ষ্মীনাথ বেজবৰুৱা ভৱন স্থাপনৰ পৰামৰ্শ

# চৰ্বিত-চৰ্বণ! ৰাজহুৱা হ'ল বিপ্লৱ শৰ্মাৰ প্ৰতিবেদন



REPORT
OF THE COMMITTEE
ON IMPLEMENTATION OF
CLAUSE 6 OF THE ASSAM ACCORD

Constituted by
Government of India,
Ministry of Home Affairs

Mr. Justice Biplab Kumar Sharma,
Former Judge, Gauhati High Court
Chairman

Guwahati
February 10, 2020

**ই-সংবাদ, ২৬ ছেপ্টেম্বৰঃ** অৱশেষত ৰাজহুৱা কৰা হ'ল ন্যায়াধীশ বিপ্লৱ শৰ্মা আয়োগৰ প্ৰতিবেদন। অসম চুক্তিৰ ৬নং দফা কাৰ্যকৰী কৰাৰ বাবে ২০১৯ চনৰ জুলাই মাহত কেন্দ্ৰীয় গৃহ মন্ত্ৰণালয়ে ন্যায়াধীশ বিপ্লৱ শৰ্মাৰ অধ্যক্ষতাত এখন কমিটি গঠন কৰি দিছিল। ন্যায়াধীশ বিপ্লৱ শৰ্মা অধ্যক্ষ হিচাপে থকা এই উচ্চস্তৰীয় কমিটিখনত আছিল ১৩জন সদস্য শেষাংশ ৪ পৃষ্ঠাত



- ■ গৃহ বিভাগৰ যুটীয়া সচিবে কৰা নাই স্বাক্ষৰ
- ■ কেন্দ্ৰই আজিলৈকে অনুমোদন দিয়া নাই বুলি দাবী সদস্য হিচাপে থকা লুৰীণৰ

## বিপ্লৱ শৰ্মাৰ প্ৰতিবেদনৰ নামত অসমৰ ৰাইজক আভুৱা ভাৰিবলৈ সাজু মুখ্যমন্ত্ৰী!

### বিৰোধীয়ে উদঙাই দিলে আঁৰৰ বহু কথা

**ই-সংবাদ, ২৬ ছেপ্টেম্বৰঃ** বিৰোধী ঐক্য মঞ্চই গুৱাহাটীৰ বেলতলাস্থিত হোটেল গ্ৰীণউদত সাংবাদমেল সম্বোধন কৰি ছয় নং দফা কাৰ্যকৰী কৰিবলৈ ৰাজ্য চৰকাৰে লোৱা পদক্ষেপ সন্দৰ্ভত কেইবাটাও প্ৰশ্ন উত্থাপন কৰে। বিপ্লৱ শৰ্মাৰ নেতৃত্বত গঠন কৰা উচ্চস্তৰীয় সমিতিয়ে প্ৰদান কৰা সমিতিৰ পৰামৰ্শ শেষাংশ ৫ পৃষ্ঠাত

## ঝাৰখণ্ডৰ পৰা হিমন্তলৈ লক্ষ্য কৰি হেমন্তৰ ব্ৰহ্মাস্ত্ৰ

**ই-সংবাদ, ২৬ ছেপ্টেম্বৰঃ** ঝাৰখণ্ডৰ পৰা অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক লক্ষ্য কৰি তীৰ এৰিলে ৰাজ্যখনৰ মুখ্যমন্ত্ৰী হেমন্ত ছোৰেনে। শেষাংশ ৩ পৃষ্ঠাত



## সন্তানৰ মংগল কামনা পূজাত ৩৭শিশুসহ উটি গ'ল ৪৬ জন

### বিহাৰত বৃহৎ অঘটন

**পাটনা, ২৬ ছেপ্টেম্বৰঃ** সন্তানৰ মংগলৰ বাবে পালন কৰা ধৰ্মীয় উৎসৱৰ সময়তে বিহাৰত বুকু শুদা হ'ল বহু শেষাংশ ২ পৃষ্ঠাত

## 'এক্স'ত ৰীচ্ছ হ্ৰাস হিমন্তৰ

**ই-সংবাদ, ২৬ ছেপ্টেম্বৰঃ** মাইক্ৰ' ব্লগিং ছাইট এক্সত ৰীচ্ছ হ্ৰাস পাইছে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ। এক্সত ৰীচ্ছ হ্ৰাস পোৱাত হিমন্ত বিশ্ব শৰ্মাই বিষয়টো চাবলৈ এক্স ইণ্ডিয়া কৰ্তৃপক্ষক অনুৰোধ কৰা পৰিলক্ষিত হৈছে। এক্স কৰ্তৃপক্ষৰ অফিচিয়েল হেণ্ডলক এটা পোষ্ট টেগ কৰি অনুগ্ৰহ কৰি শেষাংশ ৩ পৃষ্ঠাত

# কংগ্ৰেছেও চলাব ডিজিটেল অভিযান

**ই-সংবাদ, ২৬ ছেপ্টেম্বৰঃ** অক্টোবৰ মাহৰ পৰা বিৰোধী কংগ্ৰেছে জোনাইৰ পৰা সোণাইলৈ কাৰ্যসূচী গ্ৰহণ কৰিব। এই কাৰ্যসূচীৰ সমান্তৰালভাৱে কংগ্ৰেছে ডিজিটেল সদস্যভৰ্তি অভিযান আৰম্ভ কৰিব। আজি এই কথা ঘোষণা কৰিছে প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই। ভূপেন বৰাই কয় যে পূৰ্বে আমি ফৰ্ম ফিলাপ কৰি সদস্যভৰ্তি কৰো। কিন্তু এইবাৰ আমি ডিজিটেলি সদস্যভৰ্তি কৰিবলৈ প্ৰয়াস কৰিছো। পূৰ্বে ডিজিটেলি কৰিবলৈ প্ৰয়াস কৰা হৈছিল যদিও ১০ শতাংশহে ডিজিটেলি কৰিব পাৰিছিলো। ইপিনে বিজেপিৰ সদস্যভৰ্তি অভিযানক কটাক্ষ কৰি ভূপেন বৰাই কয় যে বিজেপিৰ সদস্য ভৰ্তি অভিযান হৈছে অৰুণোদয় আঁচনিৰ সৈতে জড়িত। অৰুণোদয় আঁচনিৰ সৈতে বিজেপিৰ সদস্যভৰ্তি কৰা হৈছে। ইতিমধ্যে এই কথা প্ৰকাশ কৰিছে বিজেপিৰ সভাপতি ভৱেশ কলিতাই। যাৰ বাবে আমাৰ দলে বিজেপিৰ সভাপতিৰ বিৰুদ্ধে গোচৰ ৰুজু কৰিছে। কিন্তু আমি তেনে নকৰো। “আমি গাঁৱে গাঁৱে যাম। মই নিজেই গাঁৱলৈ যাম। আমি ৯২ সমষ্টিলৈ গৈ আৰ্থ-সামাজিক, ৰাজনৈতিক অভিযানৰ লগতে সদস্যভৰ্তি অভিযান চলাম।”- এইদৰে কয় ভূপেন বৰাই।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

## ভূমিকম্পই

অব্যাহত আছে। ৰাইজে গৰমৰ পৰা সকাহ পাইছে। তাৰ মাজতে আজি ভূমিকম্পই জোকাৰি গ'ল ৰাজ্যক। আজিৰ বিয়লি প্ৰায় ৪ বাজি ৩০ মিনিটত অনুভূত হয় মৃদু জোকাৰণি। ৰাজ্যৰ ৰাজধানী গুৱাহাটী মহানগৰীৰ লগতে ভিন্ন প্ৰান্তত কম্পন অনুভূত হয়। ৰিখটাৰ স্কেলত ইয়াৰ প্ৰাবল্য আছিল ৪.৬। উৎপত্তিস্থল আছিল কামৰূপ মহানগৰ জিলাৰ পৰা ৫ কিলোমিটাৰ নিলগত। ভূমিকম্পত মানুহৰ জীৱন-সম্পত্তিৰ ক্ষয়-ক্ষতিৰ কোনো বাতৰি পোৱা হোৱা নাই।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

## সন্তানৰ মংগল কামনা পূজাত

বহু মাতৃৰ। মাতৃ আৰু পৰিয়ালৰ সৈতে পুখুৰী আৰু নদীত পবিত্ৰ স্নান কৰিবলৈ গৈ বিহাৰৰ বিভিন্ন প্ৰান্তত সলিল সমাধি ঘটিল ৩৭টা শিশুসহ ৪৬ জনৰ। উল্লেখ্য যে, বিহাৰত বৰ্তমান হিন্দু ধৰ্মীয় উৎসৱ 'জিতিয়া' বা 'জীৱিতপুত্ৰিকা' পালন কৰি আছে হিন্দু মাতৃ আৰু পৰিয়ালসকলে। এই ধৰ্মীয় উৎসৱৰ সময়ত মাতৃ সকলে সন্তানৰ মংগলৰ বাবে তিনিদিন উপবাস থাকে আৰু ইয়াৰ পিছত আৰু নদী বা পুখুৰীত সন্তান তথা পৰিয়ালৰ সদস্যৰ সৈতে পবিত্ৰ স্নান কৰি উপবাসৰ অন্ত পেলায়। কিন্তু বিহাৰত এই উৎসৱ পালনৰ সময়তে সলিল সমাধি ঘটিল বহু কণমানিৰ। ৰাজ্যখনৰ পূব আৰু পশ্চিম চম্পাৰণ, ঔৰংগাবাদ, কাইমুৰ, বক্সাৰ, ছিৱান, ৰোহতাছ, সাৰণ, পাটনা, বৈশালী, মুজাফ্ফৰপুৰ, সমস্তিপুৰ, গোপালগঞ্জ আৰু আৰৱাল জিলাত জিতিয়া উৎসৱ পালনৰ সময়ত নদী আৰু পুখুৰীত পবিত্ৰ স্নান কৰিবলৈ গৈ শিশুসহ ৪৬ জন লোকৰ মৃত্যু ঘটাৰ তথ্য সদৰী কৰিছে ৰাজ্য চৰকাৰে। মুখ্যমন্ত্ৰী নীতিশ কুমাৰে এই দুৰ্ঘটনাসমূহত শোক প্ৰকাশ কৰি নিহতসকলৰ নিকটতম আত্মীয়ক ৪ লাখ টকাকৈ আৰ্থিক ক্ষতিপূৰণ প্ৰদানৰ ঘোষণা কৰিছে। ৰাজ্যৰ দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ এগৰাকী বিষয়াই কয়, "ৰাজ্যখনৰ বিভিন্ন প্ৰান্তত নদীৰ বুকুৰ পৰা এতিয়ালৈকে ৪৩ জনৰ মৃতদেহ উদ্ধাৰ কৰা হৈছে। কিন্তু এতিয়াও তিনিজন সন্ধানহীন হৈ আছে। নিৰুদ্দিষ্টসকলৰ সন্ধানত এন ডি আৰ এফ আৰু এছ ডি আৰ এফৰ দলে অভিযান চলাই আছে।” উল্লেখ্য যে, 'জিতিয়া' উদযাপনৰ সময়ত ঔৰংগাবাদ জিলাত আঠটা, ইটাহাট গাঁৱত (বৰুণা থানা) চাৰিটা আৰু কুশাহা গাঁৱত (মদনপুৰ থানা) চাৰিটা শিশুৰ মৃত্যু ঘটে। ঔৰংগাবাদৰ জিলা দণ্ডাধীশ শ্ৰীকান্ত শাস্ত্ৰীয়ে কয়, “জীৱিতপুত্ৰিকা' উৎসৱ উপলক্ষে পৰিয়ালৰ লোকৰ সৈতে পবিত্ৰ স্নান কৰিবলৈ যোৱাৰ সময়ত এই ঘটনা সংঘটিত হয়।” উল্লেখ্য যে দেশৰ ভিন্ন প্ৰান্তত ধৰ্মীয় অনুষ্ঠানত এনে অঘটন প্ৰায়ে সংঘটিত হয়।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

## বিলকিছ বানো গোচৰ

গুজৰাট চৰকাৰে দাখিল কৰা আবেদন খাৰিজ কৰিছে উচ্চতম ন্যায়ালয়ে। উল্লেখ্য যে, বিলকিছ গোচৰৰ ৰায় পুনৰীক্ষণৰ বাবে আৰেদন দাখিল কৰিছিল গুজৰাট চৰকাৰে। এই ৰায়দানত গুজৰাট চৰকাৰৰ বিৰুদ্ধে কৰা কঠোৰ মন্তব্য বাদ দিয়াৰ দাবী জনাইছিল বিজেপি শাসিত ৰাজ্য চৰকাৰখনে। প্ৰণিধানযোগ্য যে, ২০০২ চনৰ গুজৰাট হিংসাৰ সময়ত দলবদ্ধ ধৰ্ষণকাণ্ডৰ বলি হৈছিল বিলকিছ বানো। কিন্তু যোৱা বছৰ গুজৰাট চৰকাৰে সময়ৰ পূৰ্বেই কাৰাগাৰৰ পৰা মুকলি কৰি দিছিল এই ধৰ্ষণকাণ্ডৰ ১১ দোষীক। ইয়াৰ পিছতে উচ্চতম ন্যায়ালয়ৰ কাষ চপা ভুক্তভোগী বিলকিছ বানোৰ সপক্ষে ৰায় প্ৰদান কৰি এই বছৰৰ ৮ জানুৱাৰীত আটাইকেইজন দোষীক পুনৰ জে'ললৈ প্ৰেৰণ কৰে সৰ্বোচ্চ ন্যায়ালয়ে। উচ্চতম ন্যায়ালয়ৰ এই ৰায়ৰ সময়ত গুজৰাট চৰকাৰৰ বিৰুদ্ধেও কঠোৰ মন্তব্য কৰে ন্যায়ালয়ে। ধৰ্ষণকাণ্ডৰ দোষী কেইজনক গুজৰাট চৰকাৰে কাৰাবাস সম্পূৰ্ণ হোৱাৰ পূৰ্বেই মুকলি কৰি প্ৰদান কৰা নিৰ্দেশ বাতিল কৰে উচ্চতম ন্যায়ালয়ে। সেই সময়ত সৰ্বোচ্চ ন্যায়ালয়ে গুজৰাট চৰকাৰকো কঠোৰ সমালোচনা কৰি কয় যে চৰকাৰখনে 'সমিল মিলেৰে আৰু অপৰাধীৰ সৈতে গোপন বুজাবুজিৰে কাম কৰিছে।' উচ্চতম ন্যায়ালয়ৰ এই মন্তব্য গোচৰৰ ৰেকৰ্ডৰ পৰা বাদ দিবলৈ আবেদন দাখিল কৰে গুজৰাট চৰকাৰে। এই আবেদনত কোৱা হয় যে আদালতৰ এই পৰ্যবেক্ষণ কেৱল অযুক্তিকৰ আৰু গোচৰৰ ৰেকৰ্ডৰ বিৰুদ্ধেই নহয়, এনে পৰ্যবেক্ষণ আবেদনকাৰী-গুজৰাট চৰকাৰৰ বিৰুদ্ধেও পক্ষপাতিত্বমূলক। কিন্তু চৰকাৰৰ এই যুক্তি খাৰিজ কৰি নিজৰ মন্তব্য বাতিল কৰিবলৈ অস্বীকাৰ কৰে উচ্চতম ন্যায়ালয়ে। সৰ্বোচ্চ ন্যায়ালয়ৰ এই ৰায়ক আদৰণি জনাইছে ভিন্ন দল-সংগঠনে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

## বাংগালুৰুত যুৱতীক ৩০ টুকুৰা

কৰি আৰক্ষীয়ে চিনাক্ত কৰিছিল এজন অভিযুক্তক। কিন্তু বুধবাৰে ওড়িশাত চিপ লোৱা অৱস্থাত উদ্ধাৰ হয় সেই অভিযুক্তজনৰো মৃতদেহ। আৰক্ষীয়ে অভিযুক্তজনৰ মৃতদেহৰ কাষত এখন চুইচাইড নোট উদ্ধাৰ কৰিছে। প্ৰণিধানযোগ্য যে, মঙলবাৰে বাংগালুৰুৰ ভিয়ালিকাভালৰ এটা ফ্লেটত থকা ফ্ৰীজৰ ভিতৰত উদ্ধাৰ হৈছিল ত্ৰিপুৰাৰ নিৱাসী মহালক্ষ্মী নামৰ এগৰাকী যুৱতীৰ মৃতদেহৰ টুকুৰা। আৰক্ষীয়ে প্ৰকাশ কৰা মতে, যুৱতীগৰাকীক প্ৰায় দুসপ্তাহ পূৰ্বে যুৱতীগৰাকীক হত্যা কৰি মৃতদেহটো টুকুৰা টুকুৰকৈ কাটি ফ্ৰীজৰ ভিতৰত ভৰাই থৈছিল হত্যাকাৰীয়ে। এই ঘটনাক লৈ চাঞ্চল্য সৃষ্টি হোৱাৰ মাজতে আৰক্ষীয়ে মুক্তি ৰঞ্জন ৰায় নামৰ যুৱতীগৰাকীৰ এজন সহকৰ্মীক অভিযুক্ত কৰি তদন্ত আৰম্ভ কৰে। কিন্তু আৰক্ষীৰ এই তদন্তৰ সময়তে বুধবাৰে ওড়িশাৰ ভদ্ৰক জিলাৰ জন্মগাঁৱত গছত ওলমি থকা অৱস্থাত উদ্ধাৰ হয় অভিযুক্ত মুক্তি ৰঞ্জনৰ মৃতদেহ। মৃতদেহৰ ওচৰত এখন চুইচাইড নোট উদ্ধাৰ কৰে আৰক্ষীয়ে। স্থানীয় নিৱাসীয়ে জানিবলৈ দিয়া মতে, প্ৰায় এসপ্তাহ পূৰ্বে বাংগালুৰু এৰি ওড়িশাৰ ভদ্ৰক জিলাৰ জন্মগাঁও পাণ্ডীলৈ আহিছিল মুক্তি ৰঞ্জন। ইফালে বুধবাৰৰ দিনটোত তেওঁ গোটেই দিনটো ঘৰতে সোমাই আছিল আৰু পিছদিনা পুৱা ঘৰৰ সমীপৰ এডাল গছত চিপ লোৱা অৱস্থাত উদ্ধাৰ হৈছিল অভিযুক্তজনৰ মৃতদেহ। অন্যহাতে মৃতদেহৰ ওচৰত আৰক্ষীয়ে লাভ কৰা চুইচাইড নোট অনুসৰি বাংগালুৰুত মহালক্ষ্মী নামৰ যুৱতীগৰাকীৰ সহকৰ্মী আছিল মুক্তি ৰঞ্জন। দুয়োৰে মাজত আছিল ঘনিষ্ঠ সম্পৰ্কও। কিন্তু হত্যাৰ পূৰ্বে যুৱতীগৰাকীৰ ভিয়ালিকাভালৰ ফ্লেটত দুয়োৰে মাজত কাজিয়া হয়। সেই সময়তে খঙত মুক্তি ৰঞ্জনে যুৱতীগৰাকীৰ মূৰত গধুৰ বস্তুৰে প্ৰহাৰ কৰাত মৃত্যু ঘটে মহালক্ষ্মীৰ। ইয়াৰ পিছতে যুৱতীগৰাকীৰ মৃতদেহটো ৩০ টুকুৰা কৰি ফ্ৰীজৰ ভিতৰত ভৰাই থৈ বাংগালুৰু এৰে মুক্তি ৰঞ্জনে। অৱশ্যে মহালক্ষ্মীক হত্যাৰ প্ৰকৃত উদ্দেশ্য কি আছিল সেয়া জানিবলৈ বৰ্তমানো তদন্ত অব্যাহত ৰাখিছে আৰক্ষীয়ে। ঘটনাক লৈ বৰ্তমানো অব্যাহত আছে চাঞ্চল্য।

# ‘এক্স’ত ৰীচ্ছ হ্ৰাস

■ প্ৰথম পৃষ্ঠাৰ পৰা...

বিষয়টো চাওক বুলি কয় মুখ্যমন্ত্ৰী ড০ শৰ্মাই। এক্সৰ পোষ্টৰ উপলব্ধতা সীমিত কৰা আৰু ফীডত পোষ্ট নেদেখা বুলি বুলি বিভিন্নজনৰ পৰা অভিযোগ প্ৰাপ্ত হৈছে বুলিও কয় হিমন্ত বিশ্ব শৰ্মাই। জানিব পৰা মতে, ‘অসমীয়া জীয়ৰী’ নামেৰে থকা বিতৰ্কিত এক্স হেণ্ডেলৰ পৰা প্ৰথমে হিমন্ত বিশ্ব শৰ্মাৰ ৰীচ্ছ হ্ৰাস হোৱা বিষয়টো উত্থাপন কৰিছিল। তাৰ পাছতে সেই পোষ্টটো ৰি-টুইট কৰি হিমন্ত বিশ্ব শৰ্মাই বিষয়টো চাই দিবলৈ অনুগ্ৰহ কৰে। ‘অসমীয়া জীয়ৰী’ নামৰ বিতৰ্কিত এক্স হেণ্ডেলে পোষ্ট দি কয় ‘‘মৰমৰ ইলন মাস্ক। মই আপোনাক অনুগ্ৰহ কৰিছো যে আমাৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ উপলব্ধতা এক্সত কিয় কম হৈছে সেয়া চাওক। উপলব্ধতা সীমিত হোৱা যেন লাগিছে। এখন ৰাজ্যৰ সাংবিধানিক মুৰব্বী হিচাপে তেওঁৰ টুইটবোৰত অসম আৰু ভাৰতৰ নাগৰিকসকলৰ বাবে গুৰুত্বপূৰ্ণ তথ্য আছে। যাৰ ভিতৰত আছে গুৰুত্বপূৰ্ণ চৰকাৰী বিজ্ঞপ্তি, নীতিগত সিদ্ধান্ত, হিতাধিকাৰী আঁচনি, আৰু শৈক্ষিক আপডেট। এইটো গুৰুত্বপূৰ্ণ যে তেওঁৰ পোষ্টবোৰ কাৰ্যকৰীভাৱে পূৰ্বে দৰ্শকৰ ওচৰলৈ গৈছিল। অনুগ্ৰহ কৰি এই বিষয়টো গুৰুত্বসহকাৰে চাওক আৰু তেওঁৰ একাউন্টৰ বাবে মূল ৰীচ্ছ এলগৰিথম পুনৰ উভতাই পাবলৈ সংশোধনমূলক পদক্ষেপ লওক।’’ এনেদৰে এটা পোষ্ট কৰি সেইটো পোষ্টটো টেগ কৰা হয় এক্সৰ স্বত্বাধিকাৰী ইলন মাস্ক আৰু ভাৰতৰ এক্স কৰ্তৃপক্ষক। উল্লেখ্য যে, পূৰ্বেও এনেদৰে হিমন্ত বিশ্ব শৰ্মাৰ এক্স হেণ্ডেলৰ ৰীচ্ছ কমি গৈছিল। কিন্তু সেয়া কণ্টেণ্টৰ বাবে নে অন্য কিবা কাৰণত সেই কথা জানিব পৰা হোৱা নাই। কিন্তু এটা কথা ঠিক যে হিমন্ত বিশ্ব শৰ্মাৰ কিছু পোষ্টক লৈ একাংশ লোকে সময়ে সময়ে প্ৰতিক্ৰিয়া প্ৰকাশ কৰি এক্স কৰ্তৃপক্ষক ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনোৱা দেখা গৈছিল। বিভিন্ন সময়ত ধৰ্ম বিশেষক লৈ হিমন্ত বিশ্ব শৰ্মাই পোষ্ট কৰা দেখা যায়। সেই পোষ্টসমূহৰ জৰিয়তে এটা ধৰ্ম বিশেষক টাৰ্গেট কৰা হয়। একাংশ বিজেপিৰ নেতাৰ ঘৃণা, বৈষণ্যমূলক পোষ্টৰ দ্বাৰা সমাজত বিৰূপ প্ৰভাৱ পেলোৱাৰ লগতে সাম্প্ৰদায়িক সংঘৰ্ষত উচটনি যোগাব পৰাধৰণৰ বুলিও অভিযোগ উত্থাপন হৈ আহিছে। ইয়াৰ মাজতে মুখ্যমন্ত্ৰীগৰাকীয়ে কৰা এই টুইটে চৰ্চা লাভ কৰিছে।

# ঝাৰখণ্ডৰ পৰা হিমন্তলৈ লক্ষ্য

■ প্ৰথম পৃষ্ঠাৰ পৰা...

আদিবাসী বহুল ৰাজ্য ঝাৰখণ্ডৰ মুখ্যমন্ত্ৰী তথা ঝাৰখণ্ড মুক্তি মৰ্চাৰ নেতা হেমন্ত ছোৰেণে সুযোগ বুজি এৰিছে তীৰ। বিজেপিৰ ঝাৰখণ্ডৰ ৰাজ্যৰ প্ৰভাৰী হিমন্ত বিশ্ব শৰ্মাই প্ৰায়ে ঝাৰখণ্ড ভ্ৰমণ কৰি ঝাৰখণ্ড মুক্তি মৰ্চাৰ চৰকাৰক তীব্ৰ সামলোচনা কৰি আহিছে। ইমানে নহয় ঝাৰখণ্ড মুক্তি মৰ্চাৰ নেতা চম্পাই ছোৰেণক বিজেপি দলত যোগদান কৰাইছে হিমন্ত বিশ্ব শৰ্মাই। লগতে অসমৰ চাহ জনগোষ্ঠীৰ লোকসকলৰ ঝাৰখণ্ডৰ থলুৱা জনজাতি চাওতালি, কুৰুক, মুণ্ডা, ওৰাং আৰু অন্যান্যসকলৰ সৈতে সম্পৰ্ক থকা বুলি উল্লেখ কৰিছিল। পূৰ্বপুৰুষসকলে ঔপনিৱেশিক শাসনৰ সময়ত চাহ খেতি কৰিবলৈ অসমলৈ প্ৰব্ৰজন কৰিছিল বুলি কয় হিমন্ত বিশ্ব শৰ্মাই। তাৰ পাছতে সময়ৰ সুযোগ লৈ ব্ৰহ্মাস্ত্ৰ এৰিছে ঝাৰখণ্ড মুক্তি মৰ্চাৰ নেতা হেমন্ত ছোৰেণে। হিমন্ত বিশ্ব শৰ্মাক শলঠেকত পেলাবলৈ ঝাৰখণ্ড মুক্তি মৰ্চাৰ নেতা তথা ৰাজ্যখনৰ মুখ্যমন্ত্ৰী হেমন্ত ছোৰেণে এখন চাৰি পৃষ্ঠাৰ পত্ৰ প্ৰদান কৰি হিমন্ত বিশ্ব শৰ্মাক শলঠেকত পেলাবলৈ প্ৰয়াস কৰিছে। ছোৰেণে পত্ৰযোগে দাবী কৰি কয় যে উত্তৰ-পূবৰ ৰাজ্যখনৰ অৰ্থনীতিত চাহ জনগোষ্ঠীৰ লোকসকলৰ গুৰুত্বপূৰ্ণ অৱদান থকা স্বত্বেও জনগোষ্ঠীটোৰ লোকসকল উপেক্ষিত। অসমত ৭০ লাখ চাহ জনগোষ্ঠীৰ সম্প্ৰদায়ৰ লোকৰ দুৰ্দশাত থকা বুলি গভীৰ উদ্বেগ প্ৰকাশ কৰি ছোৰেণে অসমৰ চাহ জনগোষ্ঠীক জনজাতিৰমৰ্যাদা প্ৰদানৰ দাবী জনায়। এই চিঠিখন এনে সময়ত দিয়া হৈছে যিটো সময়ত অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ঝাৰখণ্ডৰ এখন সভাত কৈছিল যে মই অসমৰ চাহ জনজাতিসকলে সন্মুখীন হৈ অহা গুৰুত্বপূৰ্ণ সমস্যা আৰু প্ৰত্যাহ্বানৰ বিষয়ে অৱগত। তেওঁলোকৰ বেছিভাগেই ঝাৰখণ্ডৰ থলুৱা জনজাতি চাওতালি, কুৰুক, মুণ্ডা, ওৰাং আৰু অন্যান্য জনগোষ্ঠীৰ লোক। যাৰ পূৰ্বপুৰুষসকলে ঔপনিৱেশিক শাসনৰ সময়ত চাহ খেতি কৰিবলৈ অসমলৈ প্ৰব্ৰজন কৰিছিল। তাৰ পাছতে চাৰি পৃষ্ঠাৰ চিঠি লিখি হেমন্ত ছোৰেণে কয় যে মই দৃঢ়ভাৱে অনুভৱ কৰো যে হিমন্ত বিশ্ব শৰ্মাই অসমৰ চাহ জনগোষ্ঠীৰ লোকক এছটিৰ মৰ্যাদা প্ৰদান কৰিব। হেমন্ত ছোৰেণে আৰু কয় যে অসমৰ চাহ জনগোষ্ঠীৰ সুকীয়া সাংস্কৃতিক পৰিচয়, পৰম্পৰাগত জীৱন শৈলী আছে। ঝাৰখণ্ড, পশ্চিমবংগ, ছত্তীশগড় আৰু ওড়িশাৰ চাহ জনজাতিৰ বেছিভাগ জাতি বা গোট অনুসূচীত জনজাতি হিচাপে স্বীকৃত। অসমে তেওঁলোকক অ'বিচি হিচাপে শ্ৰেণীবদ্ধ কৰি ৰাখিছে। অসমৰ অৰ্থনীতি আৰু সংস্কৃতিলৈ তেওঁলোকৰ গুৰুত্বপূৰ্ণ অৱদান থকা সত্বেও উপেক্ষিত হৈ আছে, অনুসূচীত জনজাতিৰ লোকসকলে লাভ কৰা সুবিধাৰ পৰা বঞ্চিত। সেয়েহে অসমৰ চাহ জনগোষ্ঠীক তাৎক্ষণিকভাৱে এছটিৰ মৰ্যাদা প্ৰদান কৰক। তেওঁ লগতে কয় যে অসমৰ চাহ জনজাতিৰ লোকসকল অ'বিচি হিচাপে শ্ৰেণীবদ্ধ কৰি ৰখাত চৰকাৰী লাভালাভ আৰু সুযোগ হেৰুৱায়। যাৰ ভিতৰত কেন্দ্ৰীয় চৰকাৰৰ বহু আঁচনি, বিশেষকৈ এছটিৰ বাবে প্ৰস্তুত কৰা আঁচনি, যেনে মেট্ৰিকৰ পাছত লাভ কৰিবলগীয়া বৃত্তি, জনজাতীয় উন্নয়ন, সমবায় সমিতিৰ (টিডিচিএছ) আঁচনি আৰু ৰাষ্ট্ৰীয় জনজাতীয় স্বাস্থ্য মিছনৰ আঁচনিৰ পৰা বঞ্চিত হৈ ৰৈছে। অ-জনজাতি হৈ থকাত বহু চৰকাৰী কাৰ্যসূচী আৰু আঁচনিৰ বাবে অযোগ্য। প্ৰান্তিক সম্প্ৰদায়বোৰক উন্নত কৰিবলৈ প্ৰস্তুত কৰা শৈক্ষিক বৃত্তি, গৃহ ৰাজসাহায্য আৰু স্বাস্থ্যসেৱা সুবিধাৰ পৰাও বঞ্চিত হৈছে। পৈতৃক ভূমিৰ পৰা দূৰত বাস কৰি তেওঁলোকে সাংস্কৃতিক ঐতিহ্য সংৰক্ষণত প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে। যেনে ভূমিৰ অধিকাৰ, নিযুক্তিৰ সুযোগ লাভ কৰা নাই। অসমৰ চাহ জনগোষ্ঠীৰ বাবে এছটিৰ মৰ্যাদা দাবী কৰি ছোৰেণে শেষত কয় যে অসমৰ অৰ্থনীতি আৰু সংস্কৃতিলৈ তেওঁলোকৰ দীৰ্ঘদিনীয়া অৱদান আছে। তেওঁলোকক আৰ্থ-সামাজিক বঞ্চনা আৰু অনন্য সাংস্কৃতিক ঐতিহ্যই এছটিৰ মৰ্যাদা লাভত স্বীকৃতি প্ৰদান কৰে। অন্যায়ৰ আৰু সামাজিক ন্যায়ৰ হকে মোকাবিলা কৰিব পৰাকৈ অসমৰ চাহ জনজাতিৰ লোকসকলক অসমৰ অন্যান্য জনগোষ্ঠীৰ দৰেই একে অধিকাৰ আৰু সুযোগ পোৱাতো নিশ্চিত কৰিবলৈ হিমন্ত বিশ্ব শৰ্মাক আহ্বান জনাই ঝাৰখণ্ডৰ মুখ্যমন্ত্ৰীগৰাকীয়ে।



গোধ্বজ প্ৰতিষ্ঠাৰ বাবে গুৱাহাটীত উপস্থিত হৈ সংবাদমেল সম্বোধন জগতগুৰু শংকৰাচাৰ্য অবিমুক্তেশ্বৰানন্দৰ

# গো-মাতাক সুৰক্ষা দিয়াত ব্যৰ্থ হৈছে চৰকাৰ! গুৱাহাটীত শংকৰাচাৰ্য অবিমুক্তেশ্বৰানন্দ

**ই-সংবাদ, ২৬ ছেপ্টেম্বৰঃ** গোহত্যা ৰোধৰ অভিযান লৈ জগতগুৰু শংকৰাচাৰ্য অবিমুক্তেশ্বৰানন্দ আজি গুৱাহাটীত উপস্থিত হয়। ৰাজধানী দিছপুৰৰ সমীপৰ গোশালা আৰু আঠগাঁৱৰ হনুমান মন্দিৰত গোধ্বজ প্ৰতিষ্ঠা কৰি জ্যোতিষপীঠৰ শংকৰাচাৰ্য অবিমুক্তেশ্বৰানন্দই ৰীতি-নীতি আৰু বেদমন্ত্ৰৰ জৰিয়তে গোধ্বজ পূজা কৰে। গোধ্বজ প্ৰতিষ্ঠা কৰি অসমত গো ৰক্ষাৰ সংকল্প লয় শংকৰাচাৰ্যগৰাকীয়ে। পূৰ্বপুৰুষে বিচৰা ধৰণে গোৰক্ষা কৰিব পৰা নাই বুলি আক্ষেপ কৰি আমাৰ সমৰ্থন আছে বুলি কৈ দিলেই কাম নহ'ব বুলি কয়। তেওঁ কয়, "আমাৰ পূৰ্বপুৰুষে গোহত্যা বন্ধ হোৱাতো বিচাৰিছিল। কিন্তু আমি সেই কাম কৰিব পৰা নাই। যাৰ বাবে হিন্দু সমাজ কলংকিত আৰু দোষী। যাৰ বাবে এই দায়িত্ব মই লৈছো। কিছুমান ৰাজ্যত কিছু সজাগতা আহিছে। কিছু ৰাজ্যত সজাগতা অহা নাই। সেয়েহে সকলো প্ৰান্তলৈ যোৱাৰ সিদ্ধান্ত লৈছো। কাৰোবাৰ মনত সন্দেহ থাকিলে মোৰ সৈতে আলোচনা কৰক।" ছিকিম, অৰুণাচল, নাগালেণ্ডৰ পাছতে অসমত উপস্থিত হৈ শংকৰাচাৰ্যই কয় যে হাজাৰ বছৰৰ গোলামিত আমি বহু কথা পাহৰি গৈছো। এতিয়া আকৌ এবাৰ সনাতনী চিন্তাধাৰা আৰম্ভ হওক। হিন্দুৰ পৰম্পৰাত গাইৰ গুৰুত্ব কিমান তাক লৈ মন্তব্য প্ৰদান কৰি শংকৰাচাৰ্য অবিমুক্তেশ্বৰানন্দই কয় যে হিন্দুৰ ঘৰত প্ৰথম ৰুটি গাইক দিয়া হয়। হিন্দুৰ সমস্যা দূৰ কৰিবলৈ প্ৰথম গাইৰ সমস্যা দূৰ কৰিব লাগিব। উত্তৰ-পূৰ্বাৰ কেবাটাও সংগঠনে শংকৰাচাৰ্য অভিমুক্তেশ্বৰানন্দৰ ভ্ৰমণৰ বিৰোধ কৰা বিষয়ত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয় যে ছাত্ৰ সংগঠনৰ কাম হৈছে কলেজত। কলেজৰ সমস্যাক লৈ কাম কৰক। কিন্তু আৰক্ষীয়ে মোক কৈছে যে আপোনাক লৈ ছাত্ৰ সংগঠনে বিৰোধিতা কৰিছে। মই ছাত্ৰ সংগঠনৰ নেতাক আমন্ত্ৰণ কৰিবলৈ কৈছিলো। লগতে চৰকাৰক সমালোচনা কৰি কয় যে ক'ৰবাত গাই হত্যা বন্ধ কৰিবলৈ আইন আছে। আন ক'ৰবাত নাই। তাৰ মানে ক'ৰবাত মাৰিবলৈ অনুমতি দিয়া হৈছে। এক দেশ, এক নিৰ্বাচন যদি কৰিব পাৰে গাইৰ বাবে সমগ্ৰ দেশত এখনেই আইন হ'ব নোৱাৰে কিয়? গোহত্যা ৰোধ কৰিবলৈ আইন আনিব নোৱাৰাসকলে এক দেশ এক নিৰ্বাচন কৰিব পাৰিবনে? ৰাষ্ট্ৰপতি, প্ৰধানমন্ত্ৰীৰ দৰেই গাইৰ বাবে বিশেষ প্ৰট'কল থাকিব লাগে। গাইক আমি মা বুলি কও। ইপিনে কাটি টুকুৰা টুকুৰ কৰি পলিথিনত বান্ধি যোগান ধৰিছে। ৰাম জন্মভূমিৰ পৰা এই যাত্ৰা কৰা হৈছে। সেয়েহে গাই আজি ৰামগাই। ইছলাম সম্পৰ্কে অধ্যয়ন কৰাৰ লগতে বহু মুছলমান লোকৰ সৈতে আলোচনা কৰাৰ কথা উল্লেখ কৰি অবিমুক্তেশ্বৰানন্দই কয় যে গোহত্যা নকৰাটো মুছলমানৰো ধৰ্মৰ অংগ। গৰুৰ মাংস নাখালে যে মুছলমান হৈ থাকিব নোৱাৰিব তেনে কোনো কথা নাই। শ্বৰিয়তত লিখা আছে যে যাৰ দুগ্ধ পান কৰে তাৰ মঙহ খাব নোৱাৰিব। গৰুৰ মাংস শৰীৰৰ বাবে ভাল নহয়। গৰুৰ মাংসৰ পৰা কেন্সাৰ হয়। শংকৰাচাৰ্যই শেষত কয় যে বিভিন্ন ধৰ্মই কৈছে গাইক মাৰিব নালাগে। হিন্দু ধৰ্মই কৈছে গাইক সুৰক্ষা দিব লাগে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

## চৰ্বিত-চৰ্বণ! ৰাজহুৱা হ'ল

এই সদস্যসকল হৈছে ড০ ৰমেশ বৰপাত্ৰগোহাঁই, নিলয় দত্ত, অৱসৰপ্ৰাপ্ত আইএএছ সুভাষ চন্দ্ৰ দাস, পল্লৱ ভট্টাচাৰ্য, সৃষ্টিধৰ দত্ত, সুমন্ত চলিহা, জয়কান্ত শৰ্মা, সাংবাদিক ৰাছবীৰ হুছেইন, সমুজ্জ্বল ভট্টাচাৰ্য, দীপাংক নাথ, লুৰীণজ্যোতি গগৈ আৰু গৃহ মন্ত্ৰণালয়ৰ উত্তৰ-পূবৰ দায়িত্বত থকা যুটীয়া সচিব। সেই সময়ত কেন্দ্ৰীয় গৃহ মন্ত্ৰণালয়ৰ যুটীয়া সচিবৰ দায়িত্বত আছিল সত্যেন্দ্ৰ কে গাৰ্গ। কমিটিখনক প্ৰতিবেদন দাখিল কৰিবলৈ ৬ মাহৰ সময়সীমা বান্ধি দিয়া হৈছিল। এই অনুযায়ী ২০২০ চনৰ ১০ ফেব্ৰুৱাৰীত প্ৰতিবেদন দাখিল কৰা হৈছিল। প্ৰতিবেদন দাখিল কৰা পৰ্যন্ত কমিটিখনৰ সদস্য হৈ থকা তথা বৰ্তমান অসম জাতীয় পৰিষদৰ নেতা লুৰীণজ্যোতি গগৈয়ে প্ৰকাশ কৰা মতে প্ৰতিবেদনখনত সকলো সদস্যই স্বাক্ষৰ কৰিছিল যদিও ৰহস্যজনকভাৱে গৃহ বিভাগৰ যুটীয়া সচিব সত্যেন্দ্ৰ গাৰ্গে স্বাক্ষৰ কৰাৰ পৰা বিৰত আছিল। কমিটিখনত থকা কেন্দ্ৰীয় চৰকাৰৰ প্ৰতিনিধিগৰাকীয়ে স্বাক্ষৰ নকৰা বিষয়টোৱে এতিয়া সমগ্ৰ প্ৰতিবেদনখনৰ গ্ৰহণযোগ্যতাক লৈয়ো প্ৰশ্ন উত্থাপন কৰিছে বুলিও বহুতে মত প্ৰকাশ কৰা দেখা গৈছে। প্ৰায় ৪ বছৰৰ অন্তত আজি অসম চৰকাৰে ৱেবছাইটযোগে প্ৰতিবেদনৰ 'ছফটকপি' ৰাজহুৱা কৰাৰ পিছতে দীৰ্ঘদিনীয়া অপেক্ষাৰ অন্ত পৰে। ইফালে প্ৰতিবেদনখন ৰাজহুৱা কৰাৰ পূৰ্বৰে পৰা যিধৰণে বিষয়টোক লৈ ৰাজনীতি উত্তপ্ত হৈ পৰিছিল ঠিক সেইদৰে ৰাজহুৱা কৰাৰ পিছত কিন্তু পৰিস্থিতি নিস্তেজ হৈ পৰা পৰিলক্ষিত হৈছে। ১৪২ পৃষ্ঠাযোৰা এই প্ৰতিবেদনখন ৰাজহুৱা হোৱাৰ পিছতে ভিন্নজনে ইয়াক চৰ্বিত চৰ্বণ বুলি মন্তব্য কৰা দেখা গৈছে। প্ৰতিবেদনখনত লোকসভা-বিধানসভাত খিলঞ্জীয়াৰ বাবে আসন সংৰক্ষণ, কেন্দ্ৰীয়-ৰাজ্য চৰকাৰৰ চাকৰিত থলুৱা লোকৰ বাবে ৮০-১০০ শতাংশ পদ সংৰক্ষণ গুৰুত্ব দিয়া হৈছে। লক্ষণীয় কথা এয়ে যে এনে দাবী অগপ চৰকাৰৰ প্ৰথম আমোলৰ পৰা অসমত উত্থাপিত হৈ আহিছে। প্ৰতিবেদনত চৰকাৰী ভূমি বেদখল বা ট্ৰাইবেল বেল্ট-ব্লকত অজনজাতীয় লোকৰ বেদখল উচ্ছেদৰ ব্যৱস্থা কৰিবলৈ যি পৰামৰ্শ আগবঢ়োৱা হৈছে সেয়াও প্ৰচলিত ভূমি আইনতে বাহাল আছে। উল্লেখ্য যে, ট্ৰাইবেল বেল্ট-ব্লক ১৯৪৮ চনতে গঠন হৈছিল আৰু সেই সংশোধিত আইনতে উচ্ছেদৰ ক্ষমতা দিয়া আছে। তৰুণ গগৈ চৰকাৰে কৃষি ভূমি জধে-মধে উদ্যোগিক ভূমিলৈ ৰূপান্তৰ নিষেধ কৰি এখন আইন আনিছিল আৰু চৰ উন্নয়ন সঞ্চালকালয়ৰ অধীনত চৰ অঞ্চলত জৰীপ কাৰ্য চলাইছিল। জলাশয় সংৰক্ষণ আৰু বেদখল উচ্ছেদৰো আইন বলৱৎ কৰিছিল গগৈ চৰকাৰে। প্ৰতিবেদনত উল্লেখ কৰা আন এটা গুৰুত্বপূৰ্ণ বিষয় হৈছে অসমৰ সকলো চৰকাৰী কাৰ্যালয়ত অসমীয়া ভাষা বাধ্যতামূলক কৰিব লাগিব। লগতে অসমৰ ক্ষেত্ৰত প্ৰযোজ্য কেন্দ্ৰ চৰকাৰৰ সকলোধৰণৰ নিৰ্দেশনা আদি অসমীয়া ভাষাত প্ৰকাশ কৰিবলৈকো পৰামৰ্শ আগবঢ়োৱা হৈছে। মন কৰিবলগীয়া যে, চৰকাৰী কাম-কাজত ৰাজ্যভাষা অসমীয়া প্ৰৱৰ্তনৰ বাবে অসম চৰকাৰী ভাষা আইন ১৯৬০ চনত বিমলা প্ৰসাদ চলিহা চৰকাৰৰ দিনতে বলৱৎ হৈছিল। ইংৰাজী আৰু অনান্য মাধ্যমত পঢ়া ছাত্ৰ-ছাত্ৰীৰ বাবে নৱম-দশম শ্ৰেণীত অসমীয়া ভাষা বাধ্যতামূলক কৰাৰ কথা সোণোৱাল চৰকাৰৰ ২০১৯-২০ আৰু ২০২০-২১ বৰ্ষৰ বাজেট ভাষণতে ঘোষণা কৰা হৈছিল। এনে পৰিপ্ৰেক্ষিতত আজি ৰাজহুৱা হোৱা প্ৰতিবেদনতো একেই কথাবোৰ দেখিবলৈ পাই বহুতেই ইয়াত কোনো নতুনত্ব নাই বুলি মন্তব্য কৰিছে। আনহাতে, প্ৰতিবেদনত কোচবিহাৰত থকা মধুপুৰ সত্ৰৰ উন্নয়নৰ বিষয়টো অসমৰ ভৌগোলিক সীমাত নথকা বাবে কেন্দ্ৰ চৰকাৰক ব্যৱস্থা গ্ৰহণ কৰিবলৈ পৰামৰ্শ আগবঢ়াইছে। ভূমিৰ অধিকাৰ বিষয়টোতো শৰ্মা আয়োগে প্ৰতিবেদনত থলুৱা অসমীয়া লোকসকলক পট্টা প্ৰদানৰ ব্যৱস্থা কৰিবলৈ পৰামৰ্শ আগবঢ়াইছে। অসমত সাহিত্য অকাডেমীৰ এটি শাখা কাৰ্যালয় স্থাপন কৰিবলৈকো প্ৰতিবেদন পৰামৰ্শ আগবঢ়োৱা হৈছে। শৰ্মা আয়োগৰ প্ৰতিবেদনত উল্লেখ থকা আন কেইটামান পৰামৰ্শ হৈছে উচ্চ সদনৰ ব্যৱস্থা কৰা, কলকাতাৰ নেশ্যনেল লাইব্ৰেৰীৰ আৰ্হিত গুৱাহাটীত এটি বহুভাষিক পুথিভঁৰাল স্থাপন, প্ৰতিখন জিলা সদৰত লক্ষ্মীনাথ বেজবৰুৱাৰ নামত সাংস্কৃতিক প্ৰকল্প সদৃশ ভৱন স্থাপন, চৰকাৰী-বেচৰকাৰী সকলো বিদ্যালয়তে অষ্টম শ্ৰেণীলৈ অসম বুৰঞ্জী বাধ্যতামূলক কৰা, জিৰি-জাকিৰ আন থলুৱা ভাষাসমূহলৈ অনুবাদৰ ব্যৱস্থা কৰা। পূৰ্বে বিভিন্নজনে কৰি অহাৰ দৰেই ১৯৫১ চনক ভিত্তি হিচাপে লৈ থলুৱা অসমীয়াৰ সংজ্ঞা নিৰূপণৰো প্ৰয়াস কৰা হৈছে প্ৰতিবেদনখনত। লগতে ১৯৫১ৰ পৰা ১৯৭১ৰ ২৪ মাৰ্চৰ মাজৰ সময়ছোৱাত অহাসকলকো অৱশ্যে প্ৰতিবেদনখনত ক'তো বিদেশী নাগৰিক বুলি স্পষ্টকৈ কোৱা হোৱা নাই। এনেদৰে প্ৰতিবেদনখনত দুই-এটা নতুন পৰামৰ্শৰ বাদে সমগ্ৰ প্ৰতিবেদনখনত অধিকাংশ পৰামৰ্শই পূৰ্বৰে পৰা চৰ্চা চলি অহাধৰণৰেই হোৱা দেখা গৈছে বুলি ভিন্নজনে মতপোষণ কৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বিপ্লৱ শৰ্মাৰ প্ৰতিবেদনৰ

কাৰ্যকৰী কৰিবলৈ তৎপৰ হোৱাৰ কাৰণ হৈছে স্মাৰ্ট মিটাৰ প্ৰসংগ, মুখ্যমন্ত্ৰীৰ পৰিয়ালৰ দুৰ্নীতি আৰু আজমলবিহীন ৰাজনীতিত মুখ্যমন্ত্ৰীৰ প্ৰাসংগিকতা হেৰুওৱাত ইছ্ছা ডাইভাৰ্ট কৰি অসমৰ আৰ্থ সামাজিক, ৰাজনীতিক পৰিৱেশটো ধুঁৱলী-কুঁৱলী কৰিবলৈ প্ৰয়াস কৰিছে। বিৰোধী দলৰ হেঁচাতহে চৰকাৰে চাৰে চাৰিবছৰে গাপ দি থোৱা প্ৰতিবেদনখন ৰাজনৈতিক অস্ত্ৰ হিচাপে লৈ ৪ ছেপ্টেম্বৰৰ কেবিনেটত আলোচনা কৰিবলৈ বাধ্য হৈছিল। কেবিনেটে লোৱা সিদ্ধান্ত মাথো ২১ দিনৰ ভিতৰত সলনি হ'ল। ৪ ছেপ্টেম্বৰত ৫৭টা ৰাজ্য চৰকাৰে ৰূপায়ণ কৰাৰ লগতে ১০টা কেন্দ্ৰীয় চৰকাৰে ৰূপায়ণ কৰিব বুলি কৈছিল মুখ্যমন্ত্ৰীয়ে। ভূপেন বৰাই কয় যে আমি অসম চুক্তিৰ দফা কাৰ্যকৰী কৰিবলৈ চৰকাৰে লোৱা গঠনমূলক প্ৰক্ৰিয়াক আদৰণি জনাম। কিন্তু কেৱল ৰাজনৈতিক কাৰণত আৰু পৰিস্থিতি নিয়ন্ত্ৰণৰ স্বাৰ্থত বিষয়বস্তুৰ পৰা ফালৰি কৰিবলৈ এনে কৰা হৈছে তেনে সেইখিনি কথাক ৰাইজৰ সন্মুখলৈ অনাটো বিৰোধীৰ দায়িত্ব। ৪ ছেপ্টেম্বৰত মুখ্যমন্ত্ৰীয়ে ক'লে ৫৭টা ৰাজ্য চৰকাৰৰ। আনহাতে ১০টা কেন্দ্ৰীয় চৰকাৰৰ। কালি ক'লে ৪০টা অসম চৰকাৰৰ, ১৫টা কেন্দ্ৰই অকলে কৰিব আৰু ১২টা কেন্দ্ৰ-ৰাজ্য চৰকাৰে একেলগে কৰিব। যদি ২১ দিনত এনেদৰে প্ৰতিবেদন সলনি হয় তেন্তে মুখ্যমন্ত্ৰী যে দায়বদ্ধ নহয় সেয়া ওলাই পৰিছে। চৰকাৰৰ যে আন্তৰিকতা নাই আৰু অধ্যয়নৰ অভাৱ সেয়া স্পষ্ট হৈছে। সদৌ অসম ছাত্ৰ সন্থা, সাহিত্য সভা, জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, গণ সংগ্ৰাম পৰিষদৰ কথা কওক। বৰাই কয় যে সেই সময়ত মই ডাঙৰ নেতা নাছিলো, কিন্তু আছুৰ আন্দোলনত জড়িত আছিলো। ৰাজনৈতিক বিষয় কেইটাক এৰি কাৰ্যকৰী কৰিলে কি হ'ব? নিয়োগ সংৰক্ষণ, সংসদীয় সমষ্টি-বিধানসভা সমষ্টিৰ সংৰক্ষণ, উচ্চ সদনৰ বিষয়টোক এৰা হয়। ভাৰত-বাংলাদেশৰ মাজৰ বিষয়সমূহক লৈ দ্বি-পাক্ষিক আলোচনা কৰা হ'ব নে নাই? সম্পদৰ অধিকাৰ, বিদেশীৰূপে চিনাক্ত কৰা লোকক বাহিৰত সংস্থাপনৰ বিষয়টো কি হ'ব। অসম চুক্তিৰ ছয়নং দফাৰ মুখ্য ১৫টা বিষয়ক লৈ কিন্তু কেন্দ্ৰ চৰকাৰ নিমাত। এই কথাটোক লৈ চৰকাৰে উত্তৰ দিব লাগিব। কিয়নো ৰাজনৈতিক বিষয়কেইটাক লৈ কেন্দ্ৰই আজিলৈকে মাত মতা নাই। অসমীয়াৰ সংজ্ঞা নিৰূপণ কৰিবলৈ বিধানসভাৰ প্ৰাক্তন অধ্যক্ষ প্ৰণৱ গগৈয়ে প্ৰয়াস কৰিছিল। যদি হিমন্ত বিশ্ব শৰ্মাৰ মতে, অসমীয়া জাতিৰ সংজ্ঞা নিৰূপণ কৰা হয় আৰু এটা জাতিৰ যদি দুটা সংজ্ঞা নিৰূপণ কৰা হয় তেন্তে জাতিৰ বাবে বিপজ্জনক হ'ব। লগতে ছয় নং দফাৰ পৰামৰ্শসমূহ কাৰ্যকৰী কৰিবলৈ যাওতে কেন্দ্ৰীয় চৰকাৰৰ সহমত লাগিব। কিন্তু কেন্দ্ৰীয় চৰকাৰ নিমাত। কেৱল মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই অসমৰ ৰাইজক আভুৱা ভাৰিছে। এনে কথাবোৰত যদি বেলেগেও মৌন হৈ সহায় কৰিবলৈ যায় তেন্তে এসময়ত ৰাইজৰ সন্মুখত জবাবদিহি হ'ব লাগিব। শিলসাঁকোৰ উচ্ছেদক লৈ বিপ্লৱ শৰ্মা আয়োগৰ পৰামৰ্শ আছিল যদিও মই এনেয়ে গালি থাকো বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰা মন্তব্যক উভতি ধৰি ভূপেন বৰাই কয় যে যেতিয়া প্ৰতিবেদন দিছিল তেতিয়া লিখা আছিল নেকি নে জিঞ্জাৰ হোটেলখন উচ্ছেদ কৰিব নালাগে, আজমলৰ কেম্পছটো উচ্ছেদ কৰিব নালাগে বুলি লিখা আছিল নেকি? এই কথাবিলাকো অসমৰ ৰাইজক মুখ্যমন্ত্ৰীয়ে জনাব লাগিব। শীতলগৃহৰ পৰা চাৰে চাৰি বছৰৰ মূৰকত যেনেদৰে ছয় নং দফাৰ পৰামৰ্শ উলিয়াই আনিছে তেনেকৈ এনআৰচি আৰু ছয় জনগোষ্ঠীৰ জনজাতিকৰণক বিষয়টোৰ প্ৰতিশ্ৰুতি দিয়াৰ ৮ বছৰ সম্পূৰ্ণ হ'ল। এনআৰচি আৰু ছয় জনগোষ্ঠীৰ জনজাতিকৰণক লৈয়ো মুখ্যমন্ত্ৰীক এতিয়াই বিজেপি দল আৰু চৰকাৰৰ স্থিতি স্পষ্ট কৰিবলৈ আহ্বান জনাই বৰাই। সংবাদমেলত লুৰীণজ্যোতি গগৈয়ে কেবাটাও প্ৰশ্ন উত্থাপন কৰে। বিপ্লৱ শৰ্মা আয়োগৰ সদস্য তথা সেই সময়ৰ আছুৰ সাধাৰণ সম্পাদক লুৰীণজ্যোতি গগৈয়ে হাতত সেই প্ৰতিবেদন লৈ কেবাটাও গুৰুতৰ অভিযোগ উত্থাপন কৰে। লুৰীণজ্যোতিয়ে আজিলৈ সেই প্ৰতিবেদন গৃহীত হোৱা নাই বুলি দাবী কৰি সেই সময়ত গৃহ সচিবে স্বাক্ষৰ কৰা নাছিল বুলি অভিযোগ আনে। আনকি প্ৰতিবেদনত যিটো পৃষ্ঠাত যুটীয়া গৃহ সচিবে স্বাক্ষৰ কৰিব লাগিছিল সেই পৃষ্ঠাটো সংবাদমেলত ৰাজহুৱা কৰে লুৰীণজ্যোতি গগৈয়ে। লগতে বিৰোধী ঐক্য মঞ্চৰ সাধাৰণ সম্পাদক লুৰীণজ্যোতি গগৈয়ে কয় যে কেন্দ্ৰ চৰকাৰে অসমৰ ৰাইজক সাংবিধানিক ৰক্ষা কবচ দিবৰ বাবে উচ্চস্তৰীয় সমিতি গঠন কৰিছিল। ভাষিক, ৰাজনৈতিক, সাংস্কৃতিক সুৰক্ষা দিয়া হ'ব। আগতে বিজেপিয়ে দাড়ি, কমাসহ সকলো পৰামৰ্শ কাৰ্যকৰী কৰা হ'ব বুলি কৈছিল। কিন্তু বিজেপিয়ে তেনে নকৰিলে। আনহাতে লুৰীণজ্যোতি গগৈয়ে কয় যে বিপ্লৱ শৰ্মাৰ প্ৰতিবেদন প্ৰথমে কেন্দ্ৰ তথা গৃহ মন্ত্ৰালয়ে গৃহীত কৰিব লাগিব। তাৰ পাছতহে মুখ্যমন্ত্ৰীয়ে পৰামৰ্শসমূহ কাৰ্যকৰী কৰিব পাৰিম বুলি ক'ব পাৰিব। গৃহীত নোহোৱালৈকে মুখ্যমন্ত্ৰীৰ পৰামৰ্শসমূহ কাৰ্যকৰী কৰিম বুলি ক'ব পৰা অধিকাৰ নাই। আনহাতে লুৰীণজ্যোতি গগৈয়ে গুৰুতৰ অভিযোগ উত্থাপন কৰে। বিপ্লৱ শৰ্মা আয়োগৰ প্ৰতিবেদন হাতত লৈ গগৈয়ে কয় যে আমি সেই সমিতিৰ সদস্য আছিলো। ১০ ফেব্ৰুৱাৰী, ২০২০ চনত যেতিয়া আমি এই প্ৰতিবেদন জমা দিছিলো তেতিয়া কেন্দ্ৰীয় চৰকাৰৰ সেই সময়ৰ যুটীয়া গৃহ সচিবৰ দায়িত্বত থকা সত্যেন্দ্ৰ গাৰ্গে ইয়াত স্বাক্ষৰ কৰা নাই। তাৰ মানে এয়াই যে প্ৰতিবেদন আজিলৈ গৃহীত হোৱা নাই। আনহাতে মুখ্যমন্ত্ৰীয়ে অসমৰ ৰাইজক মিছা কোৱাৰ অভিযোগ আনি ৬৭টা বিষয়ৰ ভিতৰতে ৫২টা অসম চৰকাৰে কাৰ্যকৰী কৰিব বুলি কৈছে। কিন্তু তেতিয়া আমি ধৰিলো। ৰাজ্য চৰকাৰে কৰিব নোৱাৰা বিষয়ৰ সংখ্যা বঢ়াবলৈ মুখ্যমন্ত্ৰীয়ে কৈ দিছে। প্ৰকৃততে ৩৮টা পৰামৰ্শ কৰিবলৈ এখন সমিতি গঠন কৰিব লাগে। সাংগঠনিক, ন্যায়িক পৰামৰ্শ কৰিবলৈ এই সমিতিয়ে মণিটৰিং কৰিব। ৪২-৪৮টা পৰামৰ্শ নিৰ্বাচনকেন্দ্ৰিক। এইখিনিও ৰাজ্য চৰকাৰৰ আওতাত নপৰে। তাৰ লগে লগে ৫৭ৰ পৰা ৪২লৈ আহিল মুখ্যমন্ত্ৰী। মুখ্যমন্ত্ৰীয়ে ৰাজনৈতিক কাৰণত অসম চুক্তিৰ ছয় দফাক ব্যৱহাৰ কৰিব খুজিছে সেয়া জলজল-পটপট হৈ পৰিছে। এনে কৰি মুখ্যমন্ত্ৰীয়ে অসম চুক্তিৰ ৮৫৫জন শ্বহীদক আৰু এই প্ৰতিবেদন সাজু কৰা জাতীয় জীৱনৰ সৈতে জড়িত লোকসকলক অপমান কৰা হৈছে। লুৰীণজ্যোতি গগৈয়ে গুৰুতৰ অভিযোগ আনি মুখ্যমন্ত্ৰীক আক্ৰমণ কৰি কয় যে যেতিয়াই মুখ্যমন্ত্ৰীৰ পৰিয়ালৰ সম্পত্তিৰ তালিকা প্ৰকাশ পালে তেতিয়াই মুখ্যমন্ত্ৰীৰ ছয় নং দফাৰ কথা মনত পৰিল। লোকসভা নিৰ্বাচনৰ ফলাফল চাই ভাবিলে এইবাৰ ছয় নং দফাক লৈ ২০২৬ৰ নিৰ্বাচন পাৰ কৰো। মুখ্যমন্ত্ৰীৰ কালিৰ বক্তব্য অত্যন্ত ভয়ংকৰ আৰু ভয়াৱহ। বৰাক, বিটিআৰ, ডিমা হাছাও আৰু কাৰ্বি ভূমিক কাৰ্যকৰী নহয় বুলি কৈছে। ৯৫, ৯৯, ১০৪, ১০৫ পৃষ্ঠাত ডিমা হাচাও, ডিফু অৰ্থাৎ কাৰ্বি আংলং, শিলচৰৰ, কোকৰাঝাৰৰ ৰাইজৰ পৰামৰ্শ সন্নিৱিষ্ট কৰা হৈছে। খাচী, জয়ন্তী কমিউনিটি অৱ বৰাক ভেলী ইণ্ডিজিনিয়াছ পিপলছ অৱ বৰাক ভেলী, মণিপুৰী কমিউনিটি অৱ বৰাক ভেলীসহ বৰাকৰ বহু সংগঠনে পৰামৰ্শ দিছে। ৰাজ্য চৰকাৰৰ চাকৰিত সংৰক্ষণৰ কথাটোক গুৰুত্ব দিছে বৰাকৰ থলুৱাই। কিন্তু মুখ্যমন্ত্ৰীৰ বক্তব্যৰ দ্বাৰা এটা কথা স্পষ্ট হ'ল যে অসমত এতিয়া হিমন্ত বিশ্ব শৰ্মাই হিন্দু-মুছলমানৰ নামতে ৰাজনীতি কৰিব খোজা নাই, বৰাক উপত্যকা আৰু ব্ৰহ্মপুত্ৰক লৈয়ো ৰাজনীতি কৰিব খুজিছে। এই ঠাইসমূহত বিভাজনৰ ৰাজনীতি আৰম্ভ কৰিছে। তাৰ দ্বাৰা এটা কথা প্ৰমাণ হয় যে বৰাক উপত্যকাৰ মানুহৰ বিৰুদ্ধে আছে মুখ্যমন্ত্ৰী আৰু বৰাক উপত্যকাৰ মানুহৰ শত্ৰু অসমৰ মুখ্যমন্ত্ৰী। লগতে ষষ্ঠ অনুসূচিত এলেকাৰ মানুহৰ শত্ৰু হৈছে হিমন্ত বিশ্ব শৰ্মা। আজিৰ এই সংবাদমেলত আন দুগৰাকী নেতা অজিত ভূঞা আৰু ভাস্কো ডি শইকীয়াও আছিল। সংবাদমেলত সাংসদ অজিত কুমাৰ ভূঞাই কয়, "মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কৰা ষড়যন্ত্ৰমূলক ৰাজনীতিৰ বিৰুদ্ধে আমি সকীয়নি দিছো। আছুক মাতি আনি এটা পৰিৱেশ কৰিলে। ক্ষমতাৰ ৰাজনীতিত মগ্ন হৈ আছে হিমন্ত বিশ্ব শৰ্মা আৰু ইয়াত জড়িত হৈ পৰিছে আছুৰ মুখ্য উপদেষ্টা সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্য। মুখ্যমন্ত্ৰীয়ে টেঙা আম বিক্ৰী কৰিব ধৰিছে। বিপ্লৱ শৰ্মা কমিটী অসমীয়াৰ সংজ্ঞা নিৰূপণ কৰি সাংবিধানিক সুৰক্ষা প্ৰদান কৰাৰ বাবে গঠন কৰা হৈছিল। কেন্দ্ৰই গ্ৰহণ নকৰা প্ৰতিবেদনখন উলিয়াই মুখ্যমন্ত্ৰীয়ে এতিয়া খিলঞ্জীয়াপ্ৰেমী হ'ব বিচাৰিছে। প্ৰতিবেদনক লৈ ভয়ংকৰ ৰাজনীতিত নিমগ্ন হৈছে মুখ্যমন্ত্ৰী। বিপ্লৱ শৰ্মা কমিটীৰ প্ৰতিবেদনত অসমীয়াৰ সংজ্ঞা স্পষ্টভাৱে আছে। মুখ্যমন্ত্ৰীয়ে কিয় দুটা সংজ্ঞাৰ কথা কৈছে? হিমন্ত বিশ্ব শৰ্মা বহু বছৰ অসম চুক্তি ৰূপায়ণ মন্ত্ৰী আছিল। কিমান বিদেশী খেদিলে তাৰ উত্তৰ দিয়ক। এন আৰ চি গোচৰত ন্যায়ালয়ত কিয় শপতনামা দিব নাই। ইতিহাসে তেওঁক ক্ষমা নকৰে। তেওঁৰ সুবিধাবাদী।"

## মহিলাৰ প্ৰতিবাদী সমদল

# নগাঁৱৰ পাখিমৰীয়াত স্মাৰ্ট মিটাৰৰ বিৰুদ্ধে প্ৰতিবাদ

**জয়ন্ত মুদৈ, বেবেজীয়া, ২৬ ছেপ্টেম্বৰঃ** সমগ্ৰ ৰাজ্যজুৰি বিভিন্ন দল-সংগঠনৰ দৰে সদৌ অসম গ্ৰামীণ শ্ৰমিক সন্থা আৰু সদৌ অসম প্ৰগতিশীল নাৰী সন্থাইও ধাৰাবাহিকভাৱে স্মাৰ্ট মিটাৰৰ বিৰোধিতাৰে প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰি আহিছে । ইয়াৰ অংশহিচাপে বৃহস্পতিবাৰে সংগঠন দুটাৰ নগাঁৱৰ পাখিমৰীয়া ব্লক সমিতিৰ আহ্বানত তথা তুলসী দেউৰী পঞ্চায়ত সমিতিৰ উদ্যোগত স্মাৰ্ট মিটাৰৰ বিৰুদ্ধে উত্তাল প্ৰতিবাদ সাৰ্বস্ত কৰে । প্ৰতিবাদকাৰীসকলে দেউৰীগাঁও পুথিভঁৰাল প্ৰাংগণৰ পৰা বৃহত্তৰ অঞ্চলৰ মাজেৰে এক প্ৰতিবাদী সমদল উলিয়াই 'কাৰ স্বাৰ্থত স্মাৰ্ট মিটাৰ ঘৰুৱা গ্ৰাহকৰ ঘৰত স্থাপন কৰা হৈছে হিমন্ত চৰকাৰে জবাব দিয়ক', 'স্মাৰ্ট মিটাৰ ঘূৰাই লওঁক আৰু পুৰণি মিটাৰ বাহাল ৰাখক', 'আম্বানী-আদানিৰ চৰকাৰ হাঁয় হাঁয়', 'আজি ৰাইজ ৰাজপথত হিমন্ত চৰকাৰ হুচিয়াৰ' আদি শ্লʼগানেৰে পৰিবেশ উত্তাল কৰি তোলে । পিছত প্ৰতিবাদকাৰীসকল নামতি গছৰ তলত সমবেত হৈ তুলসী দেউৰী পঞ্চায়ত সমিতিৰ সম্পাদিকা নিলিমাই দাসৰ পৰিচালনাত এখনি প্ৰতিবাদী সভা অনুষ্ঠিত কৰে । সভাত অংশগ্ৰহন কৰি গ্ৰামীণ শ্ৰমিক সন্থাৰ সাধাৰণ সম্পাদক অৰূপ কুমাৰ মহন্তই কয় যে--চৰকাৰ আৰু উদ্যোগপতিয়ে আগে বিদ্যুৎ ব্যৱহাৰ কৰিব পিছত বিল দিব আৰু সাধাৰণ গ্ৰামীণ দুখীয়া শ্ৰমজীৱি ৰাইজে আগে বিল পৰিশোধ কৰিব লাগিব পিছতহে বিদ্যুৎ ব্যৱহাৰ কৰিব পাৰিব। সেয়ে চৰকাৰৰ এনে জনবিৰোধী নীতি আৰু কʼপৰেটপন্থী প্ৰীতিৰ বিৰুদ্ধে সৰ্বস্তৰৰ ৰাইজক ঐক্যবদ্ধ হʼবলৈ আহ্বান জনাই । তেওঁ লগতে অসমত এতিয়া স্মাৰ্টৰ অৰ্থ হৈছে আইনৰ শাসন নোহোৱা, জনজীৱন বিপদাপন্ন আৰু সাধাৰণ জনতাক পাভুচুচা দিয়া বুলি উল্লেখ কৰি সেয়া হৈছে স্মাৰ্ট পুলিচ, স্মাৰ্ট চিটি আৰু শেহতীয়াকৈ স্মাৰ্ট মিটাৰ বুলি হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন চৰকাৰখনক কটাক্ষ কৰে । ইফালে, সভাত ভাগ লৈ সদৌ অসম প্ৰগতিশীল নাৰী সন্থাৰ ৰাজ্যিক নেতৃ আয়েফা বেগমে কয় যে--সমস্ত উদ্যোগ আৰু উন্নয়নৰ মাত্ৰী হৈছে বিদ্যুৎ খণ্ড ।

# প্ৰবল বৃষ্টিপাতত বিধ্বস্ত মায়ানগৰী মুম্বাই, বন্ধ স্কুল, ৰেʼল, বিমান সেৱা

## ৫ ঘণ্টাত এশ মিলিমিটাৰতকৈও অধিক বৰষুণ

**ই-সংবাদ, ২৬ছেপ্টেম্বৰঃ** বতৰৰ ভয়াবহ পৰিৱৰ্তনৰ ফলত ছেপ্টেম্বৰ মাহৰ উৎকট গৰমৰ মাজতে হঠাৎ এজাক প্ৰচণ্ড বৰষুণে বিপৰ্যয় নমাই আনিলে সপোনৰ নগৰী মুম্বাইত। বিগত ২৪ ঘণ্টাধৰি মুম্বাইৰ বিভিন্ন প্ৰান্তত দি থকা অবিৰত বৰষুণৰ পিছতে মুম্বাই চহৰৰ লগতে সমীপৰ্ৱৰ্তী বিস্তীৰ্ণ অঞ্চল জলমগ্ন হৈ পৰে। বৰষুণৰ ফলত ৰেʼলপথ আৰু ঘাইপথ প্লাৱিত হৈ পৰাত ব্যাহত হৈ পৰে সাধাৰণ জনজীৱন। বুধবাৰে বিয়লিৰ পৰা আৰম্ভ হোৱা বৰষুণ বৃহস্পতিবাৰৰ পুৱালৈ অলপ শাম কাটে যদিও কিছুদিনলৈ এই দুৰ্যোগ অব্যাহত থাকিব বুলি বতৰ বিজ্ঞান বিভাগে অৱগত কৰিছে। ইফালে এই দুৰ্যোগৰ মাজতে আন্ধেৰীত কৃত্ৰিম বানত বুৰযোৱা এটা পথৰ উন্মুক্ত নলাত পৰি এগৰাকী মহিলাৰ মৃত্যু ঘটে। ৰাজ্য চৰকাৰৰ মতে, মুম্বাইত ৫ ঘণ্টাত এশ মিলিমিটাৰতকৈও অধিক বৰষুণ দিয়াত কম সময়ৰ ভিতৰতে চহৰখনৰ অধিকাংশ ৰাজপথ পানীত বুৰ যায়। ফলত বুধবাৰৰ সন্ধিয়াৰ পৰা মহানগৰীৰ বিভিন্ন প্ৰান্তত যান-জঁটৰ সৃষ্টি হয়। মুম্বাই বিমানবন্দৰতো জমা হৈছে পানী। পৰিস্থিতিৰ বাবে এই পৰ্যন্ত ১৪খন বিমান মুম্বাইত অৱতৰণ কৰা নাই। স্পাইচজেট, ইণ্ডিগʼ, ভিষ্টাৰাৰ দৰে বিমান সংস্থাই যাত্ৰীসকলক তেওঁলোকৰ বিমানৰ সময়সূচীৰ ওপৰত চকু ৰাখিবলৈ অনুৰোধ জনাইছে। ইফালে ৰেʼলপথ প্লাৱিত হোৱাৰ পৰিপ্ৰেক্ষিত কেইবাখনো স্থানীয় আৰু দূৰৱৰ্তী ৰেʼলৰ সেৱা বাতিল কৰা বুলি সদৰী কৰিছে কেন্দ্ৰীয় ৰেʼলৱেয়ে। বতৰ বিজ্ঞান বিভাগৰ তথ্য অনুসৰি দক্ষিণ চত্তীশগড় আৰু ইয়াৰ কাষৰীয়া অঞ্চলসমূহৰ ওপৰত এটা ঘূৰ্ণীবতাহৰ সৃষ্টি হৈছে। মূলতঃ ইয়াৰ বাবেই আগন্তুক কেইদিনলৈ কংকন উপকূল আৰু গোৱাত বৰষুণ অব্যাহত থাকিব। প্ৰতিকূল বতৰ আৰু বতৰ বিজ্ঞান বিভাগৰ পূৰ্বাভাসৰ প্ৰতি লক্ষ্য ৰাখি বৃহস্পতিবাৰে মুম্বাইৰ সকলো বিদ্যালয়-মহাবিদ্যালয় বন্ধ ঘোষণা কৰা হয়।



মুম্বাইৰ প্ৰবল বৃষ্টিপাতকো নেওঁচি ঘৰমুৱা এগৰাকী লোক, ফটো-পি টি আই

# ৰাইদঙীয়াৰ সৰবৰহী মহিলা দীপা বৰাৰ দেহাৱসান

**জয়ন্ত মুদৈ, বেবেজীয়া, ২৬ ছেপ্টেম্বৰঃ** নগাঁও জিলাৰ হাতীচোং মৌজাৰ অন্তৰ্গত ৰাইদঙীয়াৰ কৰুচুং সত্ৰৰ নিবাসী সমাজপ্ৰিয়, সৰবৰহী ধৰ্মপ্ৰাণা মহিলা দীপা বৰাৰ নগাঁৱৰ এখন ব্যক্তিগত চিকিৎসালয়ত দেহাৱসান ঘটে । বৃক্ক আৰু হৃদজনিত সমস্যাত ভূগি থকা দীপা বৰাক পৰিয়ালৰ লোকে কিছুদিনৰ পূৰ্বে গুৱাহাটীত চিকিৎসা কৰাই পিছত ঘৰলৈ আনি চিকিৎসকৰ পৰামৰ্শমতে ঘৰতে চিকিৎসা প্ৰদান কৰি থকা হৈছিল । কিন্তু যোৱা শনিবাৰে মহিলাগৰাকী গুৰুত্বৰভাৱে অসুস্থ হৈ পৰাত পৰিয়ালৰ লোকে ততাতৈয়াকৈ নগাঁৱৰ এখন ব্যক্তিগত চিকিৎসালয়ত ভৰ্তি কৰায় যদিও তাতেই চিকিৎসাধীন অৱস্থাত তেওঁ শেষ নিশ্বাস ত্যাগ কৰে । মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৬৪ বছৰ । এগৰাকী সমাজ সচেতন আৰু সমাজপ্ৰিয় মহিলা হিচাপে পৰিচিত দীপা বৰা স্থানীয় প্ৰায়বোৰ সামাজিক, সাংস্কৃতিক আৰু ধৰ্মীয় অনুষ্ঠানৰ লগত ওতঃপ্ৰোতভাৱে জড়িত থাকি সমাজৰ কাম-কাজ ৰূপায়ণত সহযোগিতা আগবঢ়াই আহিছিল । সৎ, অমায়িক, মৰমিয়াল আৰু পৰোপকাৰী স্বভাৱৰ মহিলাগৰাকীয়ে সততে বিপদত পৰা লোকক সাধ্যানুসৰি সহায়ৰ হাত আগবঢ়াই অহাৰ সমান্তৰালভাৱে সমাজ গঢ়াৰ কামত আগৰণুৱা আছিল ।

## লাহৰীঘাটৰ বিধায়ক জড়িত থকাৰ অভিযোগ

# মৰিগাঁৱৰত আয়ুক্তৰ কাৰ্যালয়ৰ ভিতৰতে বিষয়াক দুৰ্বৃত্তৰ চুৰিকাঘাত

**ই-সংবাদ, মৰিগাঁও, ২৬ ছেপ্টেম্বৰঃ** ৰাজ্যৰ মুখ্যমন্ত্ৰী গৰাকীয়ে ৰাজ্যখনৰ আইন শৃংখলা পৰিস্থিতি উন্নত হোৱা বুলি দাবী কৰি অহাৰ সময়তে আজি মৰিগাঁৱৰ জিলা আয়ুক্তৰ কাৰ্যালয়ৰ ভিতৰতে এজন ৰাজপত্ৰিত বিষয়াক দুৰ্বৃত্তই চুৰিকাঘাত কৰে। ইফালে এই চুৰিকাঘাতৰ ঘটনাত এজন বিধায়ক জৰিত বুলি আহত বিষয়া জনে অভিযোগ তোলা ঘটনাই জিলা প্ৰশাসনৰ ভিতৰে বাহিৰে তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। প্ৰাপ্ত তথ্য মতে মৰিগাঁও জিলাৰ আয়ুক্তৰ কাৰ্যালয়ত সংলগ্ন হৈ থকা জিলা খাদ্য আৰু অসামৰিক যোগান বিভাগৰ কাৰ্যালয়ৰ সহকাৰী সঞ্চালক মতিনুৰ ৰহমানৰ কোঠাত আজি বিয়লিৰ ভাগত এটা দুৰ্বৃত্তৰ দল প্ৰবেশ কৰি বিভাগীয় কোনো এক বিষয়ক লৈ তীব্ৰ বাকযুদ্ধত লিপ্ত হয়। পৰবৰ্তী সময়ত দলটোৰ এজনে পকেতৰ পৰা এখন চুৰি উলিয়াই সহকাৰী সঞ্চালক মতিনুৰ ৰহমানৰ হাতৰ অংশত আঘাত কৰে। এই ঘটনাটোৰ পিছতে জিলা আয়ুক্তৰ কাৰ্যালয় প্ৰাংগনত এক হুৱাদুৱা পৰিৱেশৰ সৃষ্টি হয়। ইপিনে এই ঘটনাৰ পিছতে আৰক্ষী বাহিনী উপস্থিত হৈ ঘটনাটোত জৰিত খাইৰুল ইছলাম (৩৪) নামৰ যুৱক এজনক আটক কৰে। ধৃত যুৱক জনৰ ঘৰ গৰৈমাৰীত আৰু জিলাখনৰ নগাবন্ধা সমবায় সমিতিৰ সভাপতি আব্দুল মতিনৰ জোৱাঁই বুলি জানিব পৰা গৈছে। চৰকাৰী চাউল বক্ৰ পথেৰে বিক্ৰী কৰি অহাৰ অপৰাধত নগাবন্ধা সমবায় সমিতিখনক নিলম্বন কৰিছিল সহকাৰী সঞ্চালক মতিনুৰ ৰহমানে। যাৰবাবে নগাবন্ধা সমবায় সমিতিৰ সভাপতিৰ জোঁৱায়েক খাইৰুল ইছলাম নামৰ এই দুৰ্বত্তটোৱে চুৰিকাঘাটৰ দৰে ভয়ংকৰ ঘটনা সংঘটিত কৰা বুলি অভিযোগ কৰিছে সহকাৰী সঞ্চালক মতিনুৰ ৰহমানে। আনহাতে আঘাতপ্ৰাপ্ত যোগান বিষয়া ৰহমানে তেওঁৰ ওচৰত চলা আজিৰ এই আক্ৰমণৰ ঘটনাত লাহৰীঘাট সমষ্টিৰ বিধায়ক ডাঃ আচিফ নাজাৰো জৰিত থকাৰ অভিযোগ কৰিছে। বিধায়ক গৰাকীয়ে প্ৰায় দুবছৰ ধৰি তেওঁক বিভাগীয় বিভিন্ন বিষয়ত মানসিক আতিশয্য চলাই আহিছিল বুলি গুৰুত্বৰ অভিযোগ উত্থাপন কৰিছে বিষয়া গৰাকীয়ে। উল্লেখ্য যে মৰিগাঁও যোগান বিভাগ ৰেচন কাৰ্ড আৱণ্টনৰ ক্ষেত্ৰত অনিয়ম সংঘটিত হোৱা বুলি লাহৰীঘাটৰ বিধায়ক ডাঃ নাজাৰে অসম বিধান সভাত বহু সময়ত অভিযোগ উত্থাপন কৰি আছিল। ইফালে ধৃত খাইৰুল ইছলামে যোগান বিভাগৰ সহকাৰী সঞ্চালক গৰাকীক চুৰিকাঘাত কৰাৰ কথা দৃঢ়তাৰে অস্বীকাৰ কৰিছে। ইপিনে মৰিগাঁও আৰক্ষীয়ে এই ঘটনাটোৰ জোৰ তদন্ত অব্যাহত ৰাখিছে।




**বাংলাদেশত বসবাস কৰা জনজাতীয় হিন্দুৰ সুৰক্ষাৰ দাবীত ত্ৰিপুৰাত বিশাল সদমল।**

# মৰিগাঁৱৰ বৰ্ণসত্ৰৰ সত্ৰাধিকাৰ ভৱানন্দ গোস্বামী নাই

**ই-সংবাদ, মৰিগাঁও, ২৬ ছেপ্টেম্বৰঃ** মহাপুৰুষ দেৱদামোদৰ দেৱৰ দৰ্শনেৰে ঐতিহ্যমণ্ডিত মৰিগাওঁ চহৰৰ বৰ্ণ সত্ৰৰ সত্ৰাধিকাৰ ভৱানন্দ গোস্বামীৰ আজি পুৱা দীৰ্ঘদিনীয়া অসুস্থতাজনীত কাৰণত নিজ বাসগৃহত দেহাৱসান ঘটে। মৰিগাঁৱৰ আধ্যাত্মিক সমাজৰ অন্যতম প্ৰভাৱশালী ধৰ্মগুৰু গোস্বামীৰ মৃত্যুত সমগ্ৰ মৰিগাওঁ জিলাতে গভীৰ শোকৰ ছাঁ পৰিছে। সত্ৰাধিকাৰ গৰাকীয়ে প্ৰায় দুটা দশকৰ অধিক কাল সত্ৰখনিৰ সত্ৰাধিকাৰ হৈ থাকি মহাপুৰুষ শ্ৰীমৎ দেৱদামোদৰ দেৱৰ সত্ৰীয়া সংস্কৃতিক জিলাখনৰ ৫০ খনৰো অধিক গাঁৱৰ ভক্ত বৈষ্ণৱৰ মাজত প্ৰচাৰ কৰিছিল। তেখেতৰ মৃত্যুৰ খবৰ বিয়পি পৰাৰ লগে লগে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ বিষয়ববীয়া আৰু ভকত-বৈষ্ণৱ পুৱাৰ ভাগত তেখেতৰ বাসগৃত সমবেত হৈ মৃতদেহত শেষ শ্ৰদ্ধা জ্ঞাপন কৰে। দুপৰীয়াৰ ভাগত সত্ৰাধিকাৰ গৰাকীৰ মৃতদেহ লৈ মৰিগাঁও চহৰৰ এক শোক সমদল কৰাৰ অন্তত ভূতনাথ শ্মশানত শেষকৃত্য সম্পন্ন কৰা হয়। সত্ৰাধিকাৰ গৰাকীৰ মৃত্যুত মৰিগাঁৱৰ বিধায়ক ৰমাকান্ত দেউৰী, তিৱা স্বায়ত্বশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য জীৱন চন্দ্ৰ কোঁৱৰ, বহু অনুষ্ঠান প্ৰতিষ্ঠানৰ বিষয়ববীয়া আৰু ব্যক্তিয়ে গভীৰ শোক প্ৰকাশ কৰিছে।

# ইউক্লিড ছিনিয়ৰ ছেকেণ্ডাৰীৰ শৈক্ষিক সভা সম্পন্ন

**ই-সংবাদ, ৰঙিয়া, ২৬ ছেপ্টেম্বৰঃ** "আমাৰ দেশে স্বাধীনতাৰ পয়সত্তৰ বছৰ অতিক্ৰম কৰিলে যদিও দেশীয় শিক্ষাই ইপ্সিত লক্ষ্যত উপনীত হ'ব পৰা নাই। এতিয়াও শ্ৰেণীকোঠাত ছাত্ৰই কি শিকিবলৈ আহিছে তাত গুৰুত্ব দিয়া নহয়, বৰঞ্চ জাপি দিয়া পাঠ্যক্ৰমহে শিক্ষাৰ্থীয়ে অধ্যয়ন কৰিব লাগে। শ্ৰেণীৰ দুৰ্বল ছাত্ৰজনৰ সফলতাই হ'ল শিক্ষকৰ বাবে প্ৰকৃত গুৰু দক্ষিণা "এই মন্তব্য বিশিষ্ট শিক্ষাবিদ পৰেশ বৈশ্যৰ ।আজি বৃহস্পতিবাৰে ৰঙিয়াৰ আগশাৰীৰ ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠান ইউক্লিড চিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ উদ্যোগত স্থানীয় হৰদত্ত বীৰদত্ত ভৱণ প্ৰেক্ষাগৃহত অনুষ্ঠিত শৈক্ষিক সভাত বিশিষ্ট অতিথিৰূপে অংশগ্ৰহণ কৰি বৈশ্যই লগতে কয় যে সাম্প্ৰতিক শিক্ষা ব্যৱস্থাত শ্ৰেণীকোঠাত শিক্ষাৰ্থীৰ স্বাধীনতা কম। শ্ৰেণীকোঠা শিক্ষকৰ অভিভাৱকত্বত চলে। সাম্প্ৰতিক শিক্ষা শিক্ষাৰ্থী কেন্দ্ৰিক হোৱাৰ পৰিবৰ্তে শিক্ষক কেন্দ্ৰিত হৈ আছে। ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ জৰিয়তে এই ক্ষেত্ৰত এক আমূল পৰিবৰ্তন আহিব বুলিও আশা প্ৰকাশ কৰে বৈশ্যই। বিশিষ্ট চলচ্চিত্ৰ প্ৰযোজক, কৃতী শিক্ষক পংকজ পল্লৱ শৰ্মাই আঁত ধৰা শৈক্ষিক সভাত পূব কামৰূপ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক পবীণ কলিতাই ভাষণ প্ৰসঙ্গত ইতিহাস চৰ্চাৰ গুৰুত্ব সম্পৰ্কে উল্লেখ কৰে। বিদ্যালয় খনৰ অধ্যক্ষ আব্দুল ৰহিমৰ সঞ্চালনাত অনুষ্ঠিত গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটোত শ্ৰী মন্ত শঙ্কৰদেৱ সংঘৰ পদাধিকাৰ তথা ৰঙিয়া মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ভবেন্দ্ৰ নাথ ডেকাই অংশগ্ৰহণ কৰে । ভাষণ প্ৰসঙ্গত শিক্ষকসকলক অকল শ্ৰেণী কোঠাতেই আৱদ্ধ নাথাকি সমাজৰ শিক্ষক হ'বলৈ আহ্বান জনায়। তেওঁ কয় যে মনৰ উৎকৰ্ষ সাধনৰ জৰিয়তে শিক্ষাৰ ইপ্সিত লক্ষ্য উপনীত হ'ব পাৰি। যান্ত্ৰিকতাক আদৰি লোৱাৰ লগতে মূল্যবোধৰ শিক্ষাকো গুৰুত্ব দিব লাগিব বুলি উল্লেখ কৰে ডেকাই। ৰাজ্যিক কৃতি শিক্ষকৰ বঁটা প্ৰাপক হীৰেন দাসেও ভাষণ ৰখা অনুষ্ঠানটোত উপস্থিত থকা বিভিন্ন বিদ্যালয়ৰ শিক্ষক- শিক্ষয়িত্ৰী, সাংবাদিক আৰু সমাজকৰ্মীক সম্বৰ্ধনা জনোৱা হয় ।অসম সাহিত্য সভাৰ মাতৃভাষা ৰাজ্যভাষা প্ৰয়োগ সমিতিৰ আহ্বায়ক হেমন্ত কলিতা ,ৰণদিয়া শতদল সাহিত্য সভাৰ সভাপতি জয়ন্তজিৎ কলিতা, প্ৰাক্তন প্ৰধান শিক্ষক আব্দুল জব্বৰ, গৌৰী প্ৰভা মহন্ত,লক্ষীকান্ত মহন্ত প্ৰমুখ্যে বিশিষ্ট ব্যক্তি সকল উপস্থিত থকা অনুষ্ঠানটোত শিলচৰস্থিত আই আই টি ত অধ্যয়নৰত বিদ্যালয়ৰ ছাত্ৰ তথা ৰঙিয়াৰ বিজ্ঞানৰ টপাৰ আছিফ হুছেইন আৰু দ্বিতীয় গৰাকী টপাৰ নিশান্ত শৰ্মাক নগদ ধনেৰে পুৰস্কৃত কৰা হয়। ইয়াৰ লগতে নীট আৰু ইঞ্জিনিয়াৰিঙত স্থানপ্ৰাপ্ত ছাত্ৰ-ছাত্ৰীসকলক পুৰস্কৃত কৰা হয়। অনুষ্ঠানটি পৰিচালনা কৰে সঞ্চালক ৰেকিব আহমেদে।



ষষ্ঠদশ বিত্ত আয়োগৰ দলটিৰ সৈতে আতিথ্যমূলক কাৰ্যসূচীত মুখ্যমন্ত্ৰী

# গণেশগুৰিত থিতাতে নিহত এজন

**ই-সংবাদ, ২৬ ছেপ্টেম্বৰঃ** গুৱাহাটী মহানগৰীৰ মজামজিয়াত গণেশগুৰিত সংঘটিত হৈছে এক ভয়ংকৰ পথ দুৰ্ঘটনা। এই দুৰ্ঘটনাত থিতাতে নিহত হৈছে এজন বাইক আৰোহী। গণেশগুৰি উৰণসেতুৰ ওপৰত হোৱা এই দুৰ্ঘটনাত এখন মটৰ চাইকেল আৰু হাইড্ৰা বাহনৰ মুখামুখি সংঘৰ্ষৰ ফলতে সংঘটিত হয়। দুৰ্ঘটনাত নিহত বাইক আৰোহীজনৰ পৰিচয় এই পৰ্যন্ত লাভ কৰা নাই। নিহত লোকজনৰ মৃতদেহ ইতিমধ্যে জি এম চি এইছলৈ প্ৰেৰণ কৰা হৈছে দুৰ্ঘটনাগ্ৰস্ত বুলেট বাইকখনৰ নম্বৰ এ এছ ০১ এফ এফ ৬৬৪২। জানিব পৰা মতে হাইড্ৰা বাহনখনে মটৰচাইকেলখনৰ সন্মুখৰ পৰাই মহটিয়াই নিয়ে।

## দূৰ্গোৎসৱত বিশেষ ব্যৱস্থা ই এম আৰ আই গ্ৰীণ হেলথ চাৰ্ভিচ সংস্থাৰ

# ওদালগুৰিত বিগত ৮মাহত প্ৰায় ১০০০০ লোকক ১০৮ সেৱা প্ৰদান

**ওদালগুৰি ২৬ ছেপ্টেম্বৰঃ** ওদালগুৰি জিলাত চলিত ২০২৪ বৰ্ষৰ জানুৱাৰীৰ পৰা আগষ্ট মাহলৈ প্ৰায় ১০০০০ গৰাকী লোকে মৃত্যুঞ্জয় ১০৮ এম্বুলেন্স সেৱাৰ জৰিয়তে চিকিৎসা সেৱা লাভ কৰে। জৰুৰীকালীন ১০৮ সেৱা পৰিচালনা কৰা ই এম আৰ এই গ্ৰীণ হেল্থ চাৰ্ভিচ সংস্থাটোৰ সূত্ৰ মতে বিগত আঠ মাহত ৭৫৪ গৰাকী দুৰ্ঘটনাগ্ৰস্ত লোকক মৃত্যুঞ্জয় ১০৮ বিনামূলীয়া সেৱাৰে দুৰ্ঘটনা স্থলীৰ পৰা ওচৰৰ চিকিৎসালয়লৈ ও উন্নত চিকিৎসাৰ বাবে গুৱাহাটী ও তেজপুৰ চিকিৎসা মহাবিদ্যালয় ও হস্পিটেললৈ ১০৮ সেৱাৰে প্ৰেৰণ কৰা হৈছে। আন এক উদ্বেগৰ বিষয় এই যে, এই বৰ্ষৰ বিগত আঠ মাহত আত্মহত্যা ও খাদ্যত বিষক্ৰিয়া ঘটনাৰ ২২৭ গৰাকী আক্ৰান্ত লোকক মৃত্যুঞ্জয় ১০৮ বিনামূলীয়া এম্বুলেন্স সেৱাৰ জৰিয়তে তৎকালীন জীৱন দাইনী প্ৰাথমিক চিকিৎসা এম্বুলেন্সৰ ভিতৰত প্ৰদান কৰি চিকিৎসালয়লৈ ৰোগীৰ যাতায়াত সেৱা কৰিব লগা হৈছে। আন এক তথ্য অনুসৰি ওদালগুৰি জিলাত বিগত আঠ মাহত ৰাষ্ট্ৰীয় বাল (শিশু) স্বাস্থ্য কাৰ্যকম (RBSK)ৰ অধীনত প্ৰায় ১৫০০ গৰাকী জন্মৰ পৰা ১৮ বছৰ বয়সৰ শিশুক জন্মগত শাৰীৰিক বিসংগতি যেনে: উঠ ফটা, হাত ভৰিৰ বিসংগতি, হৃদৰোগ, কিডনী আদি বিভিন্ন ৰোগত আক্ৰান্ত শিশুক আৰু পুষ্টিহীনতাত ভোগা শিশুক ঘৰৰ পৰা ও ছাত্ৰ ছাত্ৰী সকলক বিভিন্ন প্ৰান্তৰ বিদ্যালয়ৰ পৰা স্বাস্থ্য কেন্দ্ৰলৈ ও স্বাস্থ্য শিবিৰসমূহলৈ মৃত্যুঞ্জয় ১০৮ বিনামূলীয়া




এম্বুলেন্স সেৱাৰ জৰিয়তে যাতায়তৰ ব্যৱস্থা প্ৰদান কৰা হৈছে লগতে উন্নত চিকিৎসাৰ বাবে, তেজপুৰ কিম্বা গুৱাহাটীলৈও যাতায়তৰ সেৱা আগবঢ়াইছে। ইয়াৰ উপৰিও প্ৰসূতি জনিত ২৯৩৯ গৰাকী মহিলা, শ্বাস প্ৰশ্বাস জনিত ৫১২ গৰাকী লোক, মস্তিষ্ক ও হৃদয় আঘাত (ষ্ট্ৰোক) আক্ৰান্ত ৩৮১ গৰাকী লোকক মৃত্যুঞ্জয় ১০৮ এম্বুলেন্স সেৱা প্ৰদান কৰা হৈছে। বিভিন্ন সময়ত এম্বুলেন্সৰ ভিতৰতেই ১০৮ সেৱাৰ জৰুৰীকালীন স্বাস্থ্য কৰ্মীয়ে সুকলমে সন্তান প্ৰসৱ কৰাৰ উদাহৰণ আছে, যত দৰিদ্ৰ পৰিয়ালে আৰ্থিক সকাহ লাভ কৰিবলৈ সক্ষম হৈছে। উল্লেখ্য যে অধিকাংশ দুৰ্ঘটনাৰ কাৰণ হৈছে অত্যধিক সুৰাপান, অনভিজ্ঞ চালক, নিয়ন্ত্ৰণহীন গতিবেগ, যান বাহন আইন উলংঘন। আগন্তক শাৰদীয় উৎসৱৰ সময়ত দুৰ্ঘটনাৰ সংখ্যা বৃদ্ধি পায়। ইংৰাজী নৱবৰ্ষ, বহাগ বিহুৰ সময়তো তুলনামূলকভাৱে দুৰ্ঘটনা বৃদ্ধি পায়। এইক্ষেত্ৰত সম্প্ৰতি জিলা প্ৰশাসনে আৰক্ষী, পৰিবহণ ও আবকাৰী বিভাগৰ সহযোগত দুৰ্ঘটনা ৰোধ কৰিবলৈ জিলাখনত কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা পৰিলক্ষিত হৈছে। পথ সমূহত তন্নতন্নকৈ প্ৰতিখন যানবাহনত সুৰাপায়ী চালকৰ তালাচী অভিযান চলোৱাৰ যো জা কৰি আছে। মৃত্যুঞ্জয় ১০৮ বিনামূলীয়া এম্বুলেন্স সেৱা উপলব্ধ হোৱাত বহু দূৰ্ঘটনাগ্ৰস্তৰ ও অন্যান্য ৰোগীৰ প্ৰাণ সঠিক সময়ত চিকিৎসা লাভৰ বাবে ৰক্ষা পৰিছে। সেয়েহে আগন্তক শাৰদীয় উৎসৱৰ প্ৰাকক্ষণত দূৰ্ঘটনাগ্ৰস্তক তাৎক্ষণিক ১০৮ সেৱা প্ৰদান কৰিবলৈ বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে বুলি ই এম আৰ আই গ্ৰীণ হেলথ চাৰ্ভিচ সংস্থাই জনাইছে। এই দুৰ্ঘটনা হ্ৰাস হব যদিহে ৰাইজ সজাগ হয়। ইয়াৰ বাবে জিলা প্ৰশাসন ও মৃত্যুঞ্জয় ১০৮ বিনামূলীয়া সেৱাৰ ফালৰ পৰা ৰাইজক যানবাহন আইন যেনে যানবাহন চলাওতে হেলমেত কিম্বা চিট বেল্ট পৰিধান কৰা, তীব্ৰবেগ পৰিহাৰ কৰা, সুৰাপান পৰিহাৰ কৰা, মবাইল ফোন ব্যৱহাৰ নকৰা আদি নিয়ম মানি চলি যাতে সকলোৱে আনন্দ মনেৰে কোনো ধৰণৰ ধন জন হানি নোহোৱাকৈ আগন্তক শাৰদীয় উৎসৱ উলহ মালহৰে পালন কৰে তাৰ বাবে ৰাইজলৈ আহ্বান জনাইছে।

# ১১৫০ চাকৰি প্ৰাৰ্থীৰ পৰা সংগ্ৰহ কৰিছে কোটি কোটি টকা

# চাকৰি দিয়াৰ নামত হোজাইত ধন সংগ্ৰহ হাইলাকান্দিৰ বেচৰকাৰী সংস্থাৰ



**ই-সংবাদ, মোৰাঝাৰ: ২৬ ছেপ্টেম্বৰঃ** ধনৰ বিনিময়ত চাকৰি দিয়াৰ নামত হাইলাকান্দিৰ এটা স্বেচ্ছাসেৱী অনুষ্ঠানে নীলবাগানত কাৰ্যালয় স্থাপন কৰি কোটিৰ ঘৰত ধন সংগ্ৰহ কৰা কাণ্ডই জোকাৰিছে সমগ্ৰ অঞ্চল। অভিযোগ অনুসৰি হাইলাকান্দি জিলাৰ নিতাইনগৰত কাৰ্যালয় থকা বাবা চাহেব ড° বি আৰ আম্বেদকাৰ চ'চাইটি নামৰ বেচৰকাৰী সংস্থাটোৱে চাকৰিৰ নামত ২০১৭ চনৰ পৰা ব্ৰহ্মপুত্ৰ উপত্যকাত লুণ্ঠন চলোৱাৰ তথ্য পোহৰলৈ আহিছে। উল্লেখ্য কালিৰ দিনটোত আৰক্ষীৰ অভিযান চলে বেচৰকাৰী সংস্থাটোৰ হোজাইৰ নীলবাগানস্থিত ওৱাৰিচ এনক্লেভত থকা কাৰ্যালয়ত। নিশা ১১ বজালৈ অভিযান চলাই আৰক্ষী বিষয়া ৰঞ্জিত বুঢ়াগোহাই আৰু অছুৰ পেগুৰ নেতৃত্বত আৰক্ষীৰ এটা দলে বহু নথিপত্ৰ জব্দ কৰে। নগদ ২ লাখ ৬০ হাজাৰ ৭০০ টকা জব্দ কৰাৰ লগতে দিল্লীৰ এটা একাউন্টত নিয়মিত ধন প্ৰেৰণৰ তথ্য পোহৰলৈ আহে আৰক্ষীৰ অভিযানত। কালিও এই ব্যক্তিগত বিশেষ একাউন্টটোলৈ ৫ লাখ টকা প্ৰেৰণ কৰা হৈছিল। কাৰ্যালয়টোত থকা লকাৰটোৰ চাবি বিচাৰি পোৱা নাই আৰক্ষীয়ে। দণ্ডাধীশৰ উপস্থিতিত লকাৰটো ভঙা হব বুলি জনা গৈছে। আৰক্ষীৰ অভিযানত জব্দ কৰা হৈছে বহু চাকৰি প্ৰাৰ্থীৰ আবেদন পত্ৰ, কেচ বুক, এন জি অ'ৰ নামত থকা বহু নথিপত্ৰ। চাকৰি দিয়াৰ নামত নিবনুৱা যুৱতীৰ পৰীক্ষা অনুষ্ঠিত কৰাৰ বাবে প্ৰস্তুত কৰা নথি পত্ৰ সহ এটা কম্পিউটাৰো জব্দ কৰে আৰক্ষীয়ে। জানিব পৰা মতে কালি আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰা লুৎফুৰ ৰহমান বি আৰ আম্বেদকাৰ চ'চাইটীৰ মাণ্ডলিক প্ৰবন্ধক যদিও মূল ব্যক্তিজন হৈছে বৰাকৰ গিয়াছ উদ্দিন লস্কৰ। গিয়াছ এন জি অ'টোৰ মুখ্য সচিব। গিয়াছৰ পুত্ৰ আমজাদ লস্কৰো পিতৃৰ কুকৰ্মৰ সমভাগি বুলি চৰ্চা চলিছে। জনা মতে ২০১৭ চনৰ পৰা পিতা-পুত্ৰৰ নেতৃত্বত ৰাজ্যত চাকৰিৰ এক চিণ্ডিকেট চলিছিল। কেৱল হোজাই কাৰ্যালয়ৰ জৰিয়তে ১,১৫০ গৰাকী চাকৰি প্ৰাৰ্থীৰ পৰা ৩২০০০ পৰা ৭২ হাজাৰ টকাকৈ সংগ্ৰহ কৰিছিল গিয়াছৰ হোজাইৰ এজেণ্ট লুৎফুৰ ৰহমানে। লুৎফুৰ ৰহমানে অন্য এগৰাকী সহযোগীসহ সম্প্ৰতি হোজাই আৰক্ষীৰ আলহি। এজেণ্টৰ জৰিয়তে গোলাঘাট, মাজুলি, নগাওঁ, তিনিচুকীয়া, গোৱালপাৰা, কাৰ্বি আংলং আদি অঞ্চলত ইতিমধ্যে নিবনুৱা যুৱতীৰ পৰা সংগ্ৰহ কৰি নিছে বহু কোটি টকা। ডিমা হাচাও আৰু গোলাঘাটত ইতিমধ্যে নতুন কাৰ্যালয় মুকলি কৰা বুলি বিশেষ সূত্ৰই জনাইছে। জানিব পৰা মতে কোনো পুৰুষ প্ৰাৰ্থীক এই চাকৰিৰ সুযোগ দিয়া নহয়। কেৱল মহিলাসকলৰ বাবে পদসমূহ সংৰক্ষিত। এন জি অ'টোৱে একাংশ মহিলা দালাল নিয়োগ কৰি ৰাখিছে। ৰাবিয়া বেগম নামৰ এগৰাকী মহিলাই এই দালাল চক্ৰটোক নিয়ন্ত্ৰণ কৰে বুলি জনা গৈছে। ইফালে ধৃত লুৎফুৰ ৰহমান সহ অন্যজন সহযোগীক হোজাই থানাত মাৰাথন জেৰা চলাই থকা হৈছে। অতি আচৰিত কথাটো হ'ল যে যিটো স্থানত কাৰ্যালয় স্থাপন কৰা হয় সেই স্থানৰ স্থানীয় প্ৰাৰ্থীৰ আবেদন গ্ৰহন কৰা নহয়। এক সূত্ৰৰ খবৰ মতে, পূৰ্বৰ ইউপিএ চৰকাৰৰ মানৱ সম্পদ বিকাশ মন্ত্ৰালয়ৰ এক প্ৰেছ নোট দেখুৱাই সংখ্যালঘু এলেকাত থকা বিদ্যালয়বোৰত মাতৃ শিক্ষক নিযুক্তি দিয়াৰ নামত এই ধন সংগ্ৰহ কৰা হৈছে। চাকৰি দিয়াৰ নামত এই দালাল চক্ৰটোৱে মাতৃ শিক্ষক পদত ৩০,০০০ টকা, চুপাৰভাইজাৰ ৭০,০০০ টকা আৰু সহায়িকা পদৰ বাবে যুৱতীসকলৰ পৰা সংগ্ৰহ কৰিছিল ১৫০০০ টকাকৈ। ভুৱা নিযুক্তিৰ নামত কোটি টকা সংগ্ৰহ কৰা বেচৰকাৰী সংস্থাটোৰ মাণ্ডলিক বিষয়া লুৎফুৰ ৰহমান সহ অন্য সহযোগীজনক মাৰাথন জেৰা চলাই আহিছে। ইপিনে এই সংস্থাৰ ধন সংগ্ৰহ কৰা বহুকেইজন প্ৰৱঞ্চককৰূপী এজেণ্ট হোজাই জিলাৰ মোৰাঝাৰতো আছে। এই সকলক চিনাক্ত কৰি আইনীৰ আওতালৈ আনিবলৈ ভুক্তভোগী ৰাইজে দাবী জনাইছে।ৰূপক বৰুৱা ,বিত্ত সচিব পাপুল কাকতি আদি উপস্হিত থাকে।

# চীন অভিমুখী বিমান কলকাতাত জৰুৰী অৱতৰণ

**ই-সংবাদ, ২৬ ছেপ্টেম্বৰঃ** চীন অভিমুখী যাত্ৰাৰ সময়তে উৰন্ত বিমানত এগৰাকী কিশোৰী হঠাৎ অসুস্থ হৈ পৰাত কলকাতাত জৰুৰী অৱতৰণ কৰিবলগীয়া হয় এখন ইৰাকী বিমান। জানিব পৰা মতে, ইৰাকৰ ৰাজধানী বাগদাদৰ পৰা চীন অভিমুখে উৰা মৰা বিমানখনত থকা এগৰাকী কিশোৰী যাত্ৰী ভাৰতৰ আকাশত অসুস্থ হৈ পৰে। ইয়াৰ পিছতে নিশা প্ৰায় ১০.১৮ বজাত বিমানখন অৱতৰণ কৰা হয় কলকাতা বিমান বন্দৰত। বিমানখনৰ জৰুৰী অৱতৰণৰ পিছত লগে লগে কিশোৰীগৰাকীক এখন হাস্পতাললৈ নিয়া হয় যদিও খবৰ অনুসৰি হাস্পতালতে মৃত্যু ঘটে যাত্ৰীগৰাকীৰ। কলকাতা বিমানবন্দৰৰ সূত্ৰ অনুসৰি ইৰাকৰ পৰা উৰা মৰা বায়ুসেনাৰ বিমানখনত আছিল ১০০ জন যাত্ৰী আৰু ১৫ জন ক্ৰু মেম্বাৰ। বিমানখন চীনৰ গুৱাংঝু বিমানবন্দৰত অৱতৰণ কৰাৰ কথা আছিল যদিও ইয়াৰ আধা ঘণ্টা পূৰ্বে কলকাতা বিমানবন্দৰত অৱতৰণ কৰিবলগীয়া হয়। বিমানৰ ভিতৰতে অসুস্থ হৈ পিছত হাস্পতালত মৃত্যু ঘটা কিশোৰীগৰাকীৰ নাম ডিন সমীৰ আহমেদ বুলি জানিব পৰা গৈছে। কিশোৰীগৰাকীৰ মৃত্যুৰ তদন্ত আৰম্ভ কৰিছে আৰক্ষীয়ে।

**শেষ পৃষ্ঠা**

**হোটেলৰ মালিকৰ পলায়ন**

# হোজাইৰ মোৰাঝাৰত খাদ্য পৰিদৰ্শকৰ অভিযান

ই-সংবাদ মোৰাঝাৰ, ২৬ ছেপ্তেম্বৰ: হোজাই মোৰাঝাৰত খাদ্য পৰিদৰ্শকৰ দলে আজি অভিযান চলায়। হোজাই জিলাৰ মোৰাঝাৰ বজাৰত খাদ্য বিভাগৰ দুই বিষয়াই আজি ৰাতিপুৱা ১১ বজাৰ পৰা আৰম্ভ কৰে বিভিন্ন ব্যৱসায়ী প্ৰতিষ্ঠান আৰু হোটেলত অভিযান । উল্লেখ্য যে কোনো লাইচেন্স অবিহনে বছৰ বছৰ ধৰি মোৰাঝাৰত কেনেকৈ চলাই গৈছে হোটেল সমুহ।দুই খাদ্য পৰিদৰ্শক বিষয়াৰ অভিযানত পোহৰলৈ আহে লাইচেন্স অবিহনে মোৰাঝাৰত মানুহৰ জীৱনক লৈ হেতালি খেলা হোটেল ব্যৱসায়িক প্ৰতিষ্ঠান সমুহৰ গৰাকীয়ে । হোজাই জিলাৰ খাদ্য পৰিদৰ্শক বিভাগৰ অভিযান পাছতে পোহৰলৈ আহে মোৰাঝাৰত চলা অবৈধ হোটেল সমুহৰ আচল স্বৰূপ। ইয়াকে লৈ ৰাইজৰ মাজত প্ৰতিক্ৰিয়াই দেখা দিছে। উল্লেখ যোগ্য যে হোটেল গ্ৰীণ প্লাজা চুইটচ এণ্ড ফাষ্ট ফুড ৰেষ্টুৰেণ্ট, বেকাৰী, মা হোটেল, ৰাজস্থান হোটেল আদি বহু ব্যৱসায়ী প্ৰতিষ্ঠানত বিষয়াই অভিযান চলায়। হোটেল আৰু ৰেষ্টুৰেণ্টৰ ৰান্ধনী শালতো চলায় অভিযান । গ্ৰীণ প্লাজা চুইটচ এণ্ড ফাষ্ট ফুড ৰেষ্টুৰেণ্টৰ ৰান্ধনী শালত দুৱাৰ বন্ধ কৰি দুই বিষয়াই চলায় ৰহস্যময় অভিযান। অস্বাস্থ্যকৰ পৰিবেশত গ্ৰীণ প্লাজাৰ ৰান্ধনী শালত বিভিন্ন মিঠাই প্ৰস্তুত কৰাৰ অভিযোগ ৰাইজৰ ।খাদ্য পৰিদৰ্শকৰ উপস্থিতি গম পাই একাংশ হোটেলৰ মালিকে হোটেল বন্ধ কৰি পলায়ন কৰে।কলেজ ৰোডৰ মিষ্টিমুখ বাপন হোটেলকে ধৰি বহুকেইখন হোটেলৰ মালিক কৰ্মচাৰীয়ে পলায়ন কৰে। মিষ্টিমুখ হোটেলৰ ৰান্ধনিশাল আৰু শৌচাগাৰ একেলগে যাৰ ফলত দুৰ্গন্ধময় অস্বাস্থ্যকৰ পৰিৱেশ হৈ পৰিছে। এনে পৰিৱেশত মিঠাই প্ৰস্তুত কৰি অস্বাস্থ্যকৰ ভেজাল গেলা পচা মিঠাই বিক্ৰীৰো অভিযোগ দীৰ্ঘদিনীয়া। হোটেলখনৰ গৰাকীয়ে পলায়ন কৰা বুলি ৰাইজে জনায়। পৰৱৰ্তীসময়ত এই হোটেল সমুহ কেনেদৰে চলে লক্ষণীয় হ'ব।

# ধুবুৰী চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয় কৰ্মচাৰী সংস্থাৰ নতুন সমিতি গঠন, শপতগ্ৰহণ




ই-সংবাদ, গুৱাহাটী ২৬ ছেপ্তেম্বৰ:- অসমৰ চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয় সমুহৰ তৃতীয় বৰ্গৰ আৰু চতুৰ্থ বৰ্গৰ কৰ্মচাৰী সকলৰ উমৈহতীয়া মঞ্চ সদৌ অসম চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয় কৰ্মচাৰী সংস্থাৰ অন্তৰ্গত ধুবুৰী চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয় কৰ্মচাৰী সংস্থা গঠনৰ বাবে এখন সাধাৰণ সভা যোৱা ২৫ ছেপ্তেম্বৰত ধুবুৰী চিকিৎসা মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত সদৌ অসম চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয় কৰ্মচাৰী সংস্থাৰ সভাপতি ৰমেন ভৰালীৰ সভাপতিত্বত অনুষ্ঠিত হয়। সদৌ অসম চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয় কৰ্মচাৰী সংস্থাৰ সভাপতি ৰমেন ভৰালী, কেন্দ্ৰীয় সমিতিৰ যুটীয়া সম্পাদক নৱজিৎ দাস, কেন্দ্ৰীয় সমিতিৰ কাৰ্যনিৰ্বাহক সদস্য নিপনজ্যোতি শৰ্মা, শান্তনু দাস, বৰপেটা ফখৰুদ্দিন আলি আহমেদ চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয় কৰ্মচাৰী সংস্থাৰ সভাপতি হৰেকৃষ্ণ চৌধুৰী, সাধাৰণ সম্পাদক সোনাদত্ত বায়ন, কাৰ্যালয় সম্পাদক শ্যামল দাসৰ উপস্থিতিত অনুষ্ঠিত সাধাৰণ সভাত ধুবুৰী চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়ত কৰ্মৰত ফকৰ আলীক সভাপতি, সুজত কৰ্মকাৰ, নয়নমনি শৰ্মা আৰু ভাস্কৰ মেধিক উপ-সভাপতি, ভৃগু কুমাৰ কলিতাক সাধাৰণ সম্পাদক আৰু উৎপল কাকতিক কোষাধ্যক্ষ হিচাপে লৈ ধুবুৰী চিকিৎসা মহাবিদ্যালয় চিকিৎসালয় কৰ্মচাৰী সংস্থাৰ নতুনকৈ ২০২৪-২০২৬ৰ বাবে এখন শক্তিশালী সমিতি গঠন কৰাৰ লগতে উক্ত সভাতে শপত গ্ৰহণ কৰা হয়। সভাত কৰ্মচাৰী সংস্থাৰ বিভিন্ন অভাৱ অভিযোগ সম্পৰ্কে আলোচনা কৰা হয় আৰু বিশেষকৈ সদৌ অসম চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয় কৰ্মচাৰী সংস্থাৰ সভাপতি ৰমেন ভৰালীয়ে সংস্থাৰ মুখ্য দাবী চনদৰ ওপৰত ভাষণ দি সংস্থাৰ মুখ্য দাবী নতুন পেন্সন নীতি বাতিল কৰি পুৰণি পেন্সন নীতি বাহাল ৰখা, কেন্দ্ৰীয় চৰকাৰৰ কৰ্মচাৰীৰ আৰ্হিত অসম চৰকাৰৰ মেডিকেল কলেজৰ কৰ্মচাৰী সকলক 'ৰোগী পৰিচাৰ্যা ভাত্তা' প্ৰদান কৰা, অসমৰ চিকিৎসা মহাবিদ্যালয় সমুহৰ তৃতীয় বৰ্গৰ আৰু চতুৰ্থ বৰ্গৰ কৰ্মচাৰী সকলৰ চাৰ্ভিচ ৰোল সম্পৰ্কে আলোচনা কৰা, অসমৰ চিকিৎসা মহাবিদ্যালয়ত কৰ্মৰত চতুৰ্থ বৰ্গৰ কৰ্মচাৰী সকলৰ গ্ৰেডপ্ৰেৰ সমস্যা সমুহ সমাধানৰ বাবে অসম চৰকাৰৰ ওচৰত দাবী জনোৱা হয়। সভাত ধুবুৰী চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়ৰ অধ্যক্ষ অধ্যাপক ডা: অংকুমনি শইকীয়া, ধুবুৰী চিকিৎসা মহাবিদ্যালয়ৰ উপাধ্যক্ষ অধ্যাপক ডা: মুকুল পাটৰ, ধুবুৰী চিকিৎসা মহাবিদ্যালয়ৰ অতিৰিক্ত অধীক্ষক ডা: হাৰুণ আলৰচিদ উপস্থিত থাকি কৰ্মচাৰী সকলক উদ্দেশী ভাষণ দিয়ে। সভাৰ শেষত শলাগৰ শৰাই আগবঢ়াই ধুবুৰী চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয় কৰ্মচাৰী সংস্থাৰ নৱ-নিৰ্বাচিত সাধাৰণ সম্পাদক ভৃগু কুমাৰ কলিতাই।

ALLEN EDUCARE
HOUSE NO.: 4, GUWAHATI COLLEGE ROAD,
JYOTINAGAR (NEAR PUB GUWAHATI HIGH SCHOOL)
COMPUTER & MONTESSORY TEACHER TRAINING COURSE
COMPUTER
BCA
DCA
PGDCA
DTP
ADCA
MONTESSORY TEACHER TRAINING COURSE
LESSON PLANS
PRESENTATION CLASS
INTERVIEW SESSION
MOTOR SKILL DEVELOPMENT
HOW TO CREATE PROFESSIONAL BIO DATA
PLACEMENT 100% GUARANTEE
CONTACT US +91 78965-45243
ADMISSION GOING ON

newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়ৱদ্ধ)
সম্পাদকঃ বিজি গগৈ (অবৈতনিক)